# শিক্ষাজ্যোতি

বার্তালোচনী

## অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী

[প্ৰথম বছৰ] [সংখ্যা ১] [এপ্ৰিল] [২০২২ চন]

ই- সংস্কৰণ




**প্ৰবন্ধ**

- শিক্ষকতাৰ মহানতা আৰু শিক্ষকৰ দায়বদ্ধতা
- নতুন ৰাষ্ট্ৰীয় শিক্ষা-নীতি "২০২০" ৰ কিছু অনুভৱ

**কবিতা**

- আমাৰপঢ়াশালি
- সজ উপদেশ
- সময়

**ধাৰাবাহিক**

- বিষ্ণুপ্ৰসাদ ৰাভা
- ঢাকা প্ৰাথমিক বিদ্যালয়ৰ পৰা ৰংপুৰৰ কাৰ মাইকেল কলেজলৈ

**শিশু শিতান**

- চিত্ৰাংকন
- কুইজ
- ফকৰা/প্ৰবচন

# সূচীপত্ৰঃ




| | |
|---|---|
| 05-09 | প্ৰবন্ধ |
| 10-13 | গল্প |
| 14-17 | ধাৰাবাহিক |
| 18-21 | কবিতা |
| 22-24 | শিশু শিতান |
| 25-26 | চিত্ৰাংকন |
| 27-30 | বিদ্যালয়ৰ কথাৰে |
| 31-33 | শিক্ষকৰ কথাৰে |
| 39 | বা-বাতৰি |

# শিক্ষাজ্যোতি

বাৰ্তালোচনী

ই- সংস্কৰণ

## অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী

**আলোচনী কৰ্তৃপক্ষ :- ডিজিটেল উপসমিতি, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী |**

**মুখ্য উপদেষ্টা:-** অখিল চন্দ্ৰ নাথ ।

**উপদেষ্টা:-** চৈয়দ আহমেদ লস্কৰ ।

**মুখ্য সম্পাদক:-** ৰাতুল চন্দ্ৰ গোস্বামী ।

**কাৰ্যবাহী সম্পাদকঃ-** দীপাংকৰ শৰ্মা ।

**সহঃ সম্পাদকঃ-** অৰুণ শইকীয়া ।

**সম্পাদনা সহযোগীসকল:-**

গণেশ নেওগ
মৌচম জ্যোতি খনিকৰ
নৱনীত হাজৰিকা ।

**PDF সংস্কৰণ প্ৰস্তুতকৰ্তা:-** পূণ্যম বৰা ।

**বেটুপাত:-** মৌচম জ্যোতি খনিকৰ ।

**মুদ্ৰা লেখন:-** অংকুৰ চেতিয়া,
গণেশ নেওগ ।
চিত্ৰলেখা বৰা




**লেখা পঠাবৰ বাবেঃ-**
**email- asptaassam22@gmail.com**
**Whatsapp No- 7002867240, 87209 25805**

# সভাপতিৰ একলম

প্ৰতিটো সংগঠনৰ বাবেই মুখ্য চালিকা শক্তি হ'ল যোগাযোগ ব্যৱস্থা। অভ্যন্তৰীন সঠিক যোগাযোগে সংগঠনৰ ভেটি শক্তিশালী কৰাৰ লগতে কৰ্মদক্ষতাও বৃদ্ধি কৰে। বিজ্ঞান প্ৰযুক্তিৰ দ্ৰুত উন্নয়নে যোগাযোগ ব্যৱস্থাৰ পৰিৱৰ্তন সাধন কৰিছে। সময়ৰ সৈতে খোজ মিলাই অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ দুমহীয়া ছপা বাৰ্তালোচনী "শিক্ষাজ্যোতি" ই মেগাজিন ৰূপে প্ৰকাশ কৰাৰ বাবে চলিত কাৰ্যনিৰ্বাহকে সিদ্ধান্ত গ্ৰহণ কৰে। সেই সিদ্ধান্ত অনুসৰি এখনি ডিজিটেল কোষ গঠন কৰি এই কামৰ দায়িত্ব প্ৰদান কৰা হৈছিল। ডিজিটেল কোষৰ সতীৰ্থ সকলে যথেষ্ট মনোযোগেৰে কাম আগবঢ়াই প্ৰথম সংখ্যাটি প্ৰস্তুত কৰি তুলিছে। ৰাজ্যখনৰ প্ৰাথমিক শিক্ষা, শিক্ষক আৰু শিক্ষানুষ্ঠানৰ বিকাশৰ ক্ষেত্ৰত এই বাৰ্তালোচনীয়ে নিশ্চিতভাবে ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ লগতে মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনী সমূহৰ বিভিন্ন কাম-কাজৰ বিষয়ে প্ৰকাশ কৰা, বিভিন্ন দাবী সম্পৰ্কে চৰকাৰৰ লগত হোৱা আলোচনাৰ বিষয়ে প্ৰকাশ কৰা, শিক্ষা আৰু শিক্ষকৰ বিভিন্ন দাবী সম্পৰ্কত চৰকাৰী কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰা স্মাৰক পত্ৰ ইয়াৰ জৰিয়তে প্ৰকাশ কৰা আদিৰ সুবিধা পাব।বিদ্যালয় সমূহত অনুস্থিত কৰা বিভিন্ন শিক্ষা বিষয়ক কাৰ্যসূচী প্ৰকাশ কৰাৰ সুবিধা আৰু ব্যবস্হাত দেখা দিয়া বিভিন্ন দিশৰ ওপৰত শিক্ষা গুৰু সকলে মতামত প্ৰকাশৰ সুবিধা ।এই প্ৰথম ডিজিটেল প্ৰকাশৰ দ্বাৰা শিক্ষক সমাজৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰিব বুলি মোৰ দৃৰ বিশ্বাস ।অসমৰ সকলো শিক্ষক সমাজে প্ৰাথমিক শিক্ষা ব্যৱস্থাৰ ওপৰত লিখা প্ৰেৰণ কৰিব পাৰিব আৰু পঢ়ুৱৈ সমাজে ইয়াৰ দ্বাৰা উপকৃত হব পাৰিব।

**অখিল চন্দ্ৰ নাথ**
**সভাপতি**
অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী

# মুখ্য সম্পাদকৰ একলম..

অসমৰ প্ৰাথমিক শিক্ষাৰ বিকাশ আৰু প্ৰাথমিক শিক্ষকৰ বিভিন্ন সমস্যা সমূহক ৰাজ্য চৰকাৰৰ দৃষ্টিগোচৰ কৰি সমাধানাৰ্থে বৰাক উপত্যকাৰ শিলচৰ চহৰত থকা নীলমণি ফুকন দেৱৰ পৌৰাহিত্যত ১৯৪৯ চনৰ ২৩ নৱেম্বৰ তাৰিখে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ জন্ম হৈছিল। জন্ম লগ্নৰে পৰা সন্মিলনীয়ে নিজৰ অৰাজনৈতিক চৰিত্ৰ বৰ্ত্তাই ৰাখি স্বকীয় বৈশিষ্ট্য আৰু নিজস্ব পদ্ধতিৰে সাংবিধানিক লক্ষ্য আৰু উদ্দেশ্যক প্ৰতিফলিত কৰি আহিছে।১২০০ মান শিক্ষককেৰে সংগঠিত এই সংগঠনটি আজি তাৰিখত এক লাখৰো অধিক সদস্য থকা ৰাজ্যখনৰ ভিতৰতে একক সৰ্ববৃহৎ চৰকাৰী কৰ্মচাৰী সংগঠন। ১৯৫৪ চনত তদানীন্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ শুভ উদ্বোধনেৰে সংগঠিত অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সংঘৰ জন্মদাতা ৰাজ্য সাতখনৰ ভিতৰত অসম অন্যতম। অখিল ভাৰত প্ৰাথমিক শিক্ষক সংঘৰ জৰিয়তে বিশ্বৰ শিক্ষক সংগঠন ইডুকেশ্বন ইণ্টাৰনেচনেলৰ সৈতেও শিক্ষক সন্মিলনী সম্পৃক্ত হৈ পৰিছোঁ। প্ৰাথমিক শিক্ষকৰ সমস্যা সমাধানৰ নিৰলস প্ৰয়াসৰ লগতে শিক্ষকৰ বৃত্তিগত দক্ষতা বৃদ্ধি,নেতৃত্ববোধৰ দক্ষতা বৃদ্ধিৰ বাবে কৰ্মশালা আদি অনুষ্ঠিত কৰাৰ মাজেৰে প্ৰচেষ্টা চলাই আহিছে। এনে পদক্ষেপ গ্ৰহণৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় শিক্ষক সংগঠনৰ পৃষ্ঠপোষকতা লাভ কৰা হৈছে।

CANADIAN TEACHERS FEDERATION ৰ সহযোগত PROFESIONAL DEVELOPMENT PROJECT আৰু চুইডেনৰ শিক্ষক সংগঠন LARARFORBUNDEI ৰ সহযোগত TOD PROJECT ৰ মাধ্যমেৰে আমাৰ সংগঠনটিৰ পৰিবৰ্দ্ধন আৰু সুসংহত কৰাৰ প্ৰযত্ন অব্যাহত ৰখা হৈছে। শেহতীয়া ভাৱে ২০২০বৰ্ষত অষ্টেলিয়ান ইডুকেচন ইউনিয়নৰ সহযোগত EFAIDS PROJECT ৰ জৰিয়তে বিদ্যালয় বৰ্হিভূত আৰু আধাতে বিদ্যালয় এৰা শিশুক বিদ্যালয়লৈ ঘূৰাই অনাৰ কাম কৰা হৈছে। মহিলা সৱলীকৰণৰ লক্ষ্যৰে অষ্টেলিয়ান ইডুকেচন ইউনিয়নৰ সহযোগত কৰ্মশালা অনুষ্ঠিত কৰি অহা হৈছে। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰে সেৱা আগবঢ়াই অহাৰ সুবাদতে আন্তঃৰাষ্ট্ৰীয় ভাবে গৃহীত আৰু ভাৰত চৰকাৰে গ্ৰহণ কৰা বহনক্ষম বিকাশৰ লক্ষ্য ৪ আৰু শিক্ষা ২০৩০ কৰ্মসূচীৰ উপৰিও এই নীতিৰ আধাৰত ভাৰত চৰকাৰে অনুমোদন দিয়া ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ অসমীয়া ভাষালৈ ৰূপান্তৰ কৰি প্ৰকাশ কৰি শৈক্ষিক সেৱা আগবঢ়াই অহা হৈছে। আনহাতে শিক্ষক হ'বলৈ ইচ্ছুকতা প্ৰকাশ কৰা প্ৰাথমিক শিক্ষকৰ কন্যাক শিক্ষক শিক্ষা গ্ৰহণ কৰিলে পাঁচ হাজাৰ টকাৰ এককালীন সাহাৰ্যও প্ৰদান কৰি অহা হৈছে। সংগঠনটিৰ সদস্য সকলৰ মাজত আভ্যন্তৰীণ যোগসূত্ৰ সুদৃঢ় কৰাৰ বাবে AIPTF/EI/LARARFORB UNDETৰ সহযোগত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে পৰিচালনা কৰি অহা TEACHERS ORGANISATION DEVELOPMENT PROJECTৰ কৰ্ম আচঁনিৰূপে 'শিক্ষাজ্যোতি' নামাকৰণেৰে এখনি বাৰ্তালোচনী প্ৰকাশ কৰিছিল। ভালেকেইটা সংখ্যা প্ৰকাশ হোৱাৰ পিছত অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সংঘৰ পৃষ্ঠপোষকতাত প্ৰকাশিত বাৰ্তালোচনি খনিৰ প্ৰকাশ বিভিন্ন কাৰণত স্তব্ধ হৈ পৰিছিল। ২০১৩-১৪ বৰ্ষত পুনৰাই দুটা সংখ্যা প্ৰকাশ হৈছিল যদিও ধাৰাবাহিকতা ৰক্ষা নহ'ল।

অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৪০ সংখ্যক দুধনৈ অধিৱেশনে গঠন কৰি দিয়া কাৰ্যনিৰ্বাহক সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভাই সন্মিলনীৰ প্ৰচাৰ আৰু যোগাযোগ বাৰ্ত্তালোচনী খনৰ যোগেদি প্ৰকৃতাৰ্থত সুদৃঢ় কৰাৰ লক্ষ্যৰে স্বতন্ত্ৰ পুজিৰে পুনৰ প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই অনুসৰি ভালে কেইটা সংখ্যা প্ৰকাশ পাইছিল যদিও মহামাৰী আদি ভিন্ন কাৰণত ধাৰাবাহিকতা ৰক্ষা হোৱা নাই।

এতিয়া বিজ্ঞান প্ৰযুক্তিয়ে মানুহৰ মাজৰ দূৰত্ব কমাই তুলিছে। ইতিমধ্যে গৃহীত ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে ডিজিটেল শিক্ষাক গুৰুত্ব দিছে। প্ৰধান মন্ত্ৰী মহোদয়ে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ কেন্দ্ৰ বিন্দু ডিজিটেল শিক্ষা হ'ব বুলি ঘোষণা কৰিছে।বিশ্বজোৰা কোভিড মহামাৰীয়ে সকলোকে ঘৰত আৱদ্ধ কৰাৰ সময়তে ডিজিটেল প্লেটফৰ্মখন বহুত সক্ৰিয় হৈ উঠিল। ইয়াৰ সৎ ব্যৱহাৰে শৈক্ষিক যাত্ৰা আগবঢ়াই নিয়াৰ লক্ষ্যৰে ছপা মাধ্যমত প্ৰকাশ হৈ থকা বাৰ্তালোচনীখন অনলাইন যোগে প্ৰকাশ কৰাৰ বাবে সন্মিলনীৰ কাৰ্যনিৰ্বাহক সভাই সিদ্ধান্ত গ্ৰহণ কৰে।সেই সিদ্ধান্ত কাৰ্যকৰী কৰাৰ লক্ষ্যৰে গঠন কৰি দিয়া ডিজিটেল কোষে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। এই ই-মেগাজিনৰ জৰিয়তে ৰাজ্যখনৰ সফল বিদ্যালয় সমূহক পৰিচয় কৰাই দিয়া,শিক্ষক ছাত্ৰ-ছাত্ৰীৰ বিশেষ সফলতা দাঙি ধৰা,শিক্ষা নীতিৰ পৰ্যালোচনা,পাঠভিত্তিক জটিলতা দূৰীকৰণৰ প্ৰয়াস,সৃষ্টিশীল কৰ্মক পাতে পাতে দাঙি ধৰা হ'ব।আশা কৰিম কেৱল শিক্ষক সমাজেই নহয়,অভিভাৱক শিক্ষা বিভাগৰ সৈতে জড়িত প্ৰতিগৰাকী ব্যক্তিয়ে ই মেগাজিন 'শিক্ষাজ্যোতি'ৰ পাতত বিচাৰি পাব।

**ৰাতুল চন্দ্ৰ গোস্বামী**
**মুখ্য সম্পাদক**

**সম্পাদকীয়**

# প্ৰাথমিক শিক্ষা আৰু শিক্ষকৰ সৰ্বাঙ্গীন উন্নতি সাধনৰ মহান লক্ষ্যৰে

প্ৰাথমিক শিক্ষা আৰু শিক্ষকৰ সৰ্বাঙ্গীন উন্নতি সাধনৰ মহান লক্ষ্যৰে শিলচৰ চহৰত বাগ্মীবৰ নীলমণি ফুকনৰ সভাপতিত্বত জন্ম গ্ৰহণ কৰিছিল , অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে। দেশৰ প্ৰায় ৩0 লাখ শিক্ষককেৰে সংগঠিত সৰ্বভাৰতীয় শিক্ষক সংগঠন অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সংঘৰ ৰাজ্যিক শাখা, বিশ্বৰ ১৭০ খন দেশৰ শিক্ষক সংগঠনেৰে গঠিত 'ইডুকেচন ইন্টাৰনেছনেলৰ' সদস্য ভুক্ত , অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী।

জন্ম লগ্নৰে পৰা ঐক্য সম্প্ৰীতি, সৌহাৰ্দ্য আৰু ভ্ৰাতৃত্ব স্থাপনেৰে, ত্যাগ আৰু সহযোগেৰে, শিক্ষক-শিক্ষয়িত্ৰী সকলৰ আৰ্থিক উন্নতি, সামাজিক মৰ্য্যদা, ন্যায় আসন আৰু সন্মান লাভৰ দাবী আদায় কৰি প্ৰাথমিক শিক্ষাৰ বিস্তাৰ আৰু উন্নতিৰ বাবে কাম কৰি আহিছে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে ।

আইনষ্টাইনৰ মতে," এটা জাতি কিমান উন্নত তাৰ সাক্ষী সেই জাতিৰ সাহিত্য। শিক্ষা হ'ল জাতিৰ মেৰুদণ্ড ।সাহিত্য হ'ল সমাজৰ দাপোন স্বৰূপ ।সাহিত্যৰ অবিহনে এটা জাতিৰ অস্তিত্ব নাই।জাতিৰ স্বাৰ্থত সমাজখনক আগবঢ়াই নিয়াৰ বাবে প্ৰাথমিক শিক্ষক-শিক্ষয়িত্ৰীসকলে সদায়েই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

সময় বিৱৰ্তনমান । গতিশীল সময়ৰ লগত শিক্ষা পদ্ধতিও সলনি হয় । গুৰুকুলৰ শিক্ষা পৰা বৰ্তমানলৈকে বহু স্তৰ অতিক্ৰম কৰি ডিজিটেল মজিয়াত বৰ্তমান সময়ৰ শিক্ষা । বৰ্তমানৰ পৃথিৱীখন দুৰন্ত গতিত আগবাঢ়িছে । নতুন শিক্ষা নীতিয়ে যান্ত্ৰিক শিক্ষণৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে । সময়ৰ লগত আগবাঢ়ি যাব পৰা,নিব পৰাটোও এক শিক্ষা । অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে সময়ৰ আহ্বানত ডিজিটেল কোষ গঠন কৰিছে । ডিজিটেল কোষৰ উদ্যোগত ই আলোচনী "শিক্ষাজ্যোতি " প্ৰকাশ কৰি শিক্ষক-শিক্ষয়িত্ৰী,ছাত্ৰ-ছাত্ৰী সকলৰ সৃজনীশীল প্ৰতিভাক বিকাশৰ এখন মঞ্চ দি বৌদ্ধিক বিকাশৰ লক্ষ্যৰে শিক্ষণ শিকণ সামগ্ৰীৰ ডিজিটেল ৰূপত নিৰ্মাণ কৰা, পাঠদানৰ পদ্ধতিক ডিজিটেল ৰূপত মনোগ্ৰাহী কৰি তোলা আদি কামৰ লগতে পূৰ্বৰে ছপা মাধ্যমত প্ৰকাশ হৈ অহা বাৰ্তালোচনী "শিক্ষাজ্যোতি " দুমহীয়াকৈ ই আলোচনী ৰূপে প্ৰকাশ কৰি ডিজিটেল ভাবে প্ৰাথমিক শিক্ষা আৰু সংগঠনক আগবঢ়ায় নিয়াৰ দিশত পদক্ষেপ গ্ৰহণ কৰিছে ।নিশ্চিত ভাৱে ই আলোচনী "শিক্ষাজ্যোতি "য়ে প্ৰাথমিক শিক্ষক সন্মিলনীৰ সমুজ্জ্বল ইতিহাস দাঙি ধৰাৰ লগতে শৈক্ষিক দিশত এক মাত্ৰা সংযোগ কৰিব । অখিল চন্দ্ৰ নাথ আৰু ৰাতুল চন্দ্ৰ গোস্বামীক উপদেষ্টা হিচাবে লৈ সভাপতি চৈয়দ আহমেদ লস্কৰ, সম্পাদক দীপাংকৰ শৰ্মা, অৰুণ শইকীয়া, ছিৰখাত হুচেইন গনেশ নেওগ, মৌচুম জ্যোতি খনিকৰ, নৱনীত হাজৰিকা, পূণ্যম বৰা,দেৱজ্যোতি হাজৰিকাক লৈ ডিজিটেল সমিতিখন গঠন কৰা হয় । ডিজিটেল সমিতিৰ উদ্যোগত জন্ম লাভ কৰা দুমহীয়া ই আলোচনী "শিক্ষাজ্যোতি " ক আপোনালোকৰ ওচৰত অৰ্পণ কৰিছোঁ । অনিচ্ছাকৃত ভুল ক্ৰুটি বাবে সমিতি খনৰ হৈ কাৰ্যবাহী সম্পাদক হিচাবে আগতীয়াকৈ মাৰ্জনা বিচাৰিছো । যি সকল গুৰুৰ চিন্তা-চৰ্চা, কষ্ট আৰু ত্যাগৰ ফলত ই আলোচনী " শিক্ষাজ্যোতি " য়ে জন্ম লাভ কৰিলে আৰু যিসকলে লিখনি দি সহযোগিতা আগবঢ়ালে, সকলোকে আন্তৰিকতাৰে শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ । আশা কৰিছোঁ , অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে যি মহৎ লক্ষ্য, উদ্দেশ্যেৰে ই আলোচনী "শিক্ষাজ্যোতি " প্ৰচাৰ আৰু প্ৰসাৰ কৰিব বিচাৰিছে তাক সকলোৱে আন্তৰিকতাৰে আকোৱালি লৈ এই যাত্ৰাৰ শুভ অংশীদাৰ হব ।

জয়তু অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী । জয়তু ডিজিটেল কোষ, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী ।

**দীপাংকৰ শৰ্মা**
**কাৰ্যবাহী সম্পাদক**

# শুভেচ্ছা বাণী

## अखिल भारतीय प्राथमिक शिक्षक संघ
## All India Primary Teachers' Federation

**Delhi Office**
Shikshak Bhawan, 41-Institutional Area, D-Block, Janakpuri, New Delhi-110058 INDIA
Tele. : +91-11-28522606, Email : aiptfindia@yahoo.com, www.aiptfindia.org

Regd. No. 14/1957-58


**PATRON**
Jagdambika Pal (M.P.)

**PRESIDENT**
Ram Pal Singh (Uttar Pradesh)

**SENIOR VICE PRESIDENT**
Dr. Ram Chandra Dabas (Delhi)
Geeta Pandey (Uttar Pradesh)

**WORKING PRESIDENT**
Basavaraj Gurikar (Karnataka)-S
Digvijaysinh Jadeja (Gujarat)-W
Ratul Goswami (Assam)-E
Reena Adrien (Jharkhand)-C
Meena Sharma (Uttarakhand)-N

**VICE PRESIDENT**
Ashok Chauhan (Uttarakhand)
Ram Avtar Pandey (Bihar)
Nimai Ch. Mandal (W. Bengal)
Devidas Baswade (Maharashtra)
Soniya S. Mangaonkar (Goa)

**SECRETARY GENERAL**
Kamala Kanta Tripathy (Odisha)

**JOINT SECRETARY GENERAL**
N. Rengarajan (Tamilnadu)

**Dy. SECRETARY GENERAL**
Ghanshyam Pd. Yadav (Bihar)
K. Sharada (Telangana)

**SECRETARY**
F. C. Shullai (Meghalaya)
Vinod Thakran (Haryana)
Hem Raj Thakur (H.P.)
Sushil Kumar Pandey (U.P.)
F. Lalramliani (Mizoram)
Yoginder Tiwari (Jharkhand)

**TREASURER**
P. Harigovindan (Kerala)

**ORGANISING SECRETARY**
Sanjay Kr. Mishra (U.P.)
C. P. Sharma (Rajasthan)
Subhash Chander (Punjab)
Harish Kr. Maran (M.P.)
Swarnalata Mekap (Odisha)

**INTERNAL AUDITOR**
Kaliyani Devi (Manipur)


2005
AIPTF
Golden Jubilee
Conference

9 April 2022

## MESSAGE

Dear Sh. Goswami,
Greetings and Good wishes

We convey our heartfelt appreciation from All India Primary Teachers' Federation on behalf of 2.3 million members in 24 states of India. We are very happy to note that you are launching an E-Magazine which will be good initiative to reach out to each and every member.

We are confident that this initiative will further strengthen your state union and will contribute to increase in membership and financial stability.

Wishing you and ASPTA team a successful journey towards a strong and sustainable union.

With Best Regards

**(Ram Pal Singh)**
President

**(Kamala Kanta Tripathy)**
Secretary General

All India Primary Teachers' Federation

To
**Sh. Ratul Chandra Goswami**
General Secretary
Assam State Primary Teachers' Association

# শুভেচ্ছা বাণী

Government of Assam
Elementary Education Department
Dispur, Guwahati-6

## শুভ-বাৰ্তা

১৯৪৯ চনৰে পৰা প্ৰাথমিক শিক্ষাৰ সৈতে কাম কৰি অহা অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে এই বছৰৰ পৰা দুমহীয়াকৈ এখনি ই-মেগাজিন প্ৰকাশ কৰিবলৈ লোৱা জানি আনন্দ লাভ কৰিছো। সন্মিলনীৰ নেতৃত্বত বহনক্ষম বিকাশৰ লক্ষ্য-৪, শিক্ষা ২০৩০ কৰ্মসূচী আৰু ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ অসমীয়া ভাষালৈ ৰূপান্তৰ কৰি প্ৰশংসনীয় কাম সম্পন্ন কৰিছে। ইয়াৰোপৰি বিদ্যালয় বহিৰ্ভূত শিশুক বিদ্যালয়ত নামভৰ্তি কৰোৱা, আধাতে বিদ্যালয় এৰা শিশুক বিদ্যালয়লৈ অনা, পাঠভিত্তিক ভিডিঅ' প্ৰস্তুত কৰি ইণ্ডিয়া বুক অফ ৰেকৰ্ডছত নাম সন্নিৱিষ্ট কৰিবলৈ সক্ষম হৈ ৰাজ্যখনৰ প্ৰাথমিক শিক্ষাক টনকিয়াল কৰাত সেৱা আগবঢ়াই আহিছে।

সন্মিলনীয়ে ৰাজ্যখনৰ গুণগত শিক্ষা প্ৰসাৰৰ লক্ষ্যৰে দুমহীয়াকৈ এখনি ই-মেগাজিন প্ৰকাশ কৰিব লোৱাটো এক ইতিবাচক চিন্তা। আশা কৰিলোঁ যে শিক্ষানুষ্ঠান-শিক্ষাৰ্থী সকলৰ মাজত লুকাই থকা সম্ভাৱনীয়তাসমূহ ই-মেগাজিনৰ পাতত উন্মোচিত হোৱাৰ লগতে শিক্ষক তথা ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীলতাও বৃদ্ধি হ'ব।

সফলতা কামনাৰে-----

(ড° বিজয়া চৌধুৰী)
সচিব, প্ৰাথমিক শিক্ষা বিভাগ
অসম চৰকাৰ



# প্রবন্ধ

# শিক্ষকতাৰ মহানতা আৰু শিক্ষকৰ দায়বদ্ধতা

শিক্ষকতা এক মহান বৃত্তি। প্ৰাচীন কালত শিক্ষকসমাজক 'গুৰু' অভিধাৰে বিভূষিত কৰা হৈছিল আৰু যথাৰ্থতেই এই গুৰুসকল আছিল অজ্ঞান আন্ধাৰ নাশি পোহৰ দিওঁতা একো একোজন আদৰ্শ সত্বা।"অজ্ঞানতিমিৰান্ধাস্য জ্ঞানাঞ্জন শলাকায়া চক্ষুৰুন্মিলীতং যেন তস্মৈ শ্ৰীগুৰুৱে নমঃ..." তমসাচ্ছন্নতাক আঁতৰাই সমাজক পোহৰৰ ফালে ধাৱিত কৰাটোৱেই হৈছে শিক্ষক সমাজৰ পুৰাতন দায়িত্ব। গতিশীল সময়ৰ মাজেৰে আগবাঢ়োঁতে শিক্ষক সকলৰ মাজলৈও বহুবোৰ পৰিৱৰ্তন আহিল। আধুনিক শিক্ষাপদ্ধতি, বৰ্দ্ধিত শিক্ষানুষ্ঠান, নতুন নতুন নিযুক্তি প্ৰক্ৰিয়া আদিৰ মাজেদি সমাজত শিক্ষকৰ সংখ্যা বহু বৃদ্ধি হ'ল যদিও প্ৰায়ে অনুভৱ হয় শিক্ষকসমাজৰ মাজত যেন 'গুৰু' স্থানীয় ব্যক্তিৰ বাৰুকৈয়ে অভাৱ ঘটিছে।পশ্চিমীয়া ধাৰণাৰ কথা নকওঁ কিন্তু আমাৰ ধ্যান-ধাৰণাত জনসাধাৰণৰ মাজত শিক্ষক সকল আজিও আদৰ্শনীয় আৰু সন্মানীয়।আমিও ব্যক্তিগতভাৱে অনুভৱ কৰোঁ শিক্ষকতা এক মহান সেৱা, শিক্ষক এজনৰ কৰ্তব্য আৰু দায়বদ্ধতা কেতিয়াও এটা শ্ৰেণীকোঠা বা এখন বিদ্যালয়ৰ চৌহদৰ ভিতৰতে সীমাবদ্ধ নহয় | শিক্ষকৰ কৰ্তব্য আৰু দায়বদ্ধতাৰ ক্ষেত্ৰখন হ'ব লাগে সমগ্ৰ সমাজক সামৰি লোৱা।এষাৰ কথা আছে, 'শিক্ষক জন্ম হয়' কিন্তু এই আজন্ম শিক্ষক আমাৰ মাজত কেইজন আছে?



আজন্ম শিক্ষক নহ'লেও আমি শিক্ষকসকলে নিজকে একো একোজন আদৰ্শ শিক্ষকলৈ উত্তৰণ ঘটাবলৈ অহোপুৰুষাৰ্থ কৰিব পাৰোঁ। আদৰ্শ শিক্ষকৰ পৰিচয় চৰকাৰীভাৱে পাব নালাগে এই পৰিচয় দিব আপোনাৰ কৰ্মই। কৰ্তব্য পালন যেতিয়া সেৱাৰ মনোভাৱলৈ উত্তৰণ হয় তেতিয়াই সেই কৰ্ম আদৰ্শলৈ ৰূপান্তৰিত হয়। শিক্ষকৰ চাকৰি কৰাটো সহজ কিন্তু শিক্ষকতাৰ মহান অৰ্থ উপলব্ধি কৰি কাম কৰাটো জটিল। শিক্ষকসকলৰ নিজৰ মাজতেই থকা উচ্চ-নীচৰ মনোভাৱে বহুসময়ত আমাক ব্যথিত কৰে। শিক্ষানুষ্ঠানৰ পৰ্যায় আৰু পাঠ্যক্ৰমভেদে শিক্ষকৰ শিক্ষাগত অৰ্হতা বা পাৰিতোষিকৰ হাৰ ভিন্ন হ'বই লাগিব তাত কাৰো দ্বিমত থাকিব নোৱাৰে| কিন্তু সেইবুলিয়েই উচ্চ শিক্ষানুষ্ঠানৰ শিক্ষক এজনে নিম্ন শিক্ষানুষ্ঠানৰ শিক্ষক এজনৰ প্ৰতি তুচ্ছ-তাচ্ছিল্যসূচক আচৰণ কৰিব বা উচ্চাত্মীকা ভাৱ প্ৰদৰ্শন কৰিব আৰু সমান্তৰালভাৱে নিম্ন পৰ্যায়ৰ শিক্ষানুষ্ঠানৰ শিক্ষক এজনে নীচাত্মিকা মনোভাৱত ভূগি থাকিব সেইটো মুঠেও গ্ৰহণযোগ্য নহয়। অপ্ৰিয় হ'লেও সত্য শিক্ষকসকলৰ মাজত বহুসময়ত এনে হোৱা দেখা যায়। আচলতে শিক্ষাগত অৰ্হতা বা কৰ্মক্ষেত্ৰৰ পৰ্যায় ভিন্ন হ'লেও 'শিক্ষক'ৰ কোনো বিভাজন থাকিব নোৱাৰে।

কিছু সুকীয়া গুণ আৰু ব্যক্তিত্বইহে এজন লোকক শিক্ষকৰ শাৰীলৈ নিব পাৰে যিটোৰ বাবে ব্যক্তিজন শিক্ষকৰ চাকৰিত নিয়োজিত হ'বই লাগিব বুলিও নিশ্চয় কথা নাই| তাৰবাবে লাগিব মহৎ সাধনা আৰু ত্যাগ। শিক্ষকসকলেই সমাজৰ শিক্ষক হোৱাৰ সাধনা কৰিব লাগিব। শিক্ষকে নিজৰ দায়বদ্ধতাৰ সীমা হ্ৰাস কৰি অনাৰ বাবেই আজিৰ সমাজত উশৃংখলতা বৃদ্ধি পাইছে, নৈতিকতা, মূল্যবোধৰ প্ৰভাৱ কমি গৈছে। আমাৰ মাজৰে বহু শিক্ষক আছে যি শিক্ষকতাক কেৱল জীৱিকা অৰ্জনৰ এক বৃত্তি হিচাপেহে গ্ৰহণ কৰে। পুথিগত বিষয়ৰ আদান-প্ৰদানতে যেন তেওঁলোকৰ দায়িত্ব শেষ।আচলতে শিক্ষকৰ কৰ্তব্য পুথিগত জ্ঞানৰ আদান-প্ৰদানতে জানো সীমাবদ্ধ? ছাত্ৰ-ছাত্ৰীৰ সমুখত এক সুন্দৰ জীৱনবোধ, এক আদৰ্শৰ বাট যদি আমি প্ৰদৰ্শন কৰিব নোৱাৰো তেন্তে শিক্ষকতাৰ অৰ্থ কি হ'ব? শিক্ষকতাৰ মহান অৰ্থ হৃদয়ত ধাৰণ কৰাটো নিশ্চয়কৈ বৰ সহজ নহয় কিন্তু সেই মহান অৰ্থ বুজিবলৈতো আমি নিশ্চিতভাৱে চেষ্টা কৰিব পাৰোঁ। শিক্ষকসকলক সমাজে ভাল পায়, আদৰ কৰে। শিক্ষক সকললৈ সমাজৰ আনসকলে সঘন দৃষ্টিৰে চাই থাকে। শিক্ষকৰ আচাৰ -আচৰণ, কথা- বতৰা, কৰ্ম সকলোৱে সহজতে দৃষ্টি আকৰ্ষণ কৰাটো স্বাভাৱিক। সেয়ে সদায় মনত ৰাখিব লাগে যাতে শিক্ষকে নিজেই নিজৰ সন্মান লাঘৱ নকৰে। কাৰণ, ইয়াৰ প্ৰভাৱ সদায় সমাজত বিয়োগাত্মকভাৱেই পৰে। শিক্ষকৰ ওপৰত সমাজৰ কৌটিকলীয়া আস্থা নাইকিয়া হৈছে। পুনৰাই শিক্ষকসমাজে নিজৰ কৰ্তব্য আৰু দায়বদ্ধতাৰ ক্ষেত্ৰখন সম্প্ৰসাৰণ কৰি সমাজ গঢ়া, সমাজক পোহৰ বিলোৱা শিক্ষকজনলৈ নিজকে ৰূপান্তৰিত কৰিব লাগিব।

**আদৰ্শ শিক্ষকৰ পৰিচয় চৰকাৰীভাৱে পাব নালাগে এই পৰিচয় দিব আপোনাৰ কৰ্মই।কৰ্তব্য পালন যেতিয়া সেৱাৰ মনোভাৱলৈ উত্তৰণ হয় তেতিয়াই সেই কৰ্ম আদৰ্শলৈ ৰূপান্তৰিত হয়। শিক্ষকৰ চাকৰি কৰাটো সহজ কিন্তু শিক্ষকতাৰ মহান অৰ্থ উপলব্ধি কৰি কাম কৰাটো জটিল**

কনক নেওগ
সহকাৰী শিক্ষক, চামকটা প্ৰাথমিক বিদ্যালয়, মৰিগাঁও


# ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ ৰ কিছু অনুভৱ

ভাৰতৰ প্ৰতিজন শিশুৰ বাবে শিক্ষা মৌলিক অধিকাৰ। শিশু সকল আমাৰ দেশৰ অমূল্য সম্পদ।শিক্ষাই এই সম্পদসমূহৰ জীৱনত এক গধুৰ দায়িত্ব বহন কৰি আহিছে।এখন বিকশিত দেশ গঢ় ল'বলৈ হ'লে মূল্যবোধ আধাৰিত গুণগত শিক্ষা প্ৰৱৰ্তন আটাইতকৈ গুৰুত্বপূৰ্ণ। সৃষ্টিশীলতাক উজ্জীৱিত কৰিব পৰা শৈক্ষিক পদ্ধতিয়েহে দেশৰ উন্নয়ন প্ৰগতিৰ মেৰুদণ্ডস্বৰূপ। বৰ্তমান দেশসমূহৰ বিভিন্ন দিশত প্ৰযুক্তি প্ৰবন্ধৰ ব্যৱস্থাই ধন সম্পত্তি আৰু সু-স্বাস্থ্য, শিক্ষা-দীক্ষা ,আন্ত: গাঠনি আৰু অন্যান্য উন্নয়নৰ মৌলিক প্ৰয়োজনীয়তা সমূহৰ মানদণ্ড উন্নীত কৰাৰ প্ৰয়াস কৰিছে।

## "শিক্ষা জ্ঞান আৰু বুদ্ধিৰ মাজেদি কৰা এক অন্তহীন যাত্ৰা "---
## এ পি জে আব্দুল কালাম।

১৯৭৬ চনৰ আগত ৰাজ্যত শিক্ষা বিভাগটো এক স্বতন্ত্ৰ দায়িত্বত আছিল। ৰাজ্যত শিক্ষা বিভাগৰ সকলো স্তৰতে শিক্ষাৰ গুণগত মান আৰু আদৰ্শ জীয়াই ৰাখিবৰ বাবে শৈক্ষিক প্ৰয়োজনীয়তা নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে দায়িত্ব গ্ৰহণ কৰি বিভিন্ন ধৰণৰ কাৰ্যক্ৰম আৰু প্ৰকল্পৰ প্ৰৱৰ্তন কৰিলে। প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীন কৰণৰ লগতে মাধ্যমিক শিক্ষা প্ৰসাৰণৰ বাবে মান সম্পন্ন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ গুৰুত্বপূৰ্ণ বিষয়সমূহ লৈ কেন্দ্ৰীয় চৰকাৰৰ সমৰ্থিত আঁচনি ৰূপায়নৰ বাবে চৰকাৰে গুৰুত্ব আৰোপ কৰে। তথাপি শিক্ষাৰ যি লক্ষ্য আৰু উদ্দেশ্যত কৃতকাৰ্য হোৱা পৰিলক্ষিত নহ'ল।১৯৬৪-৬৬ চনৰ কোঠাৰি আয়োগ,ভাৰত চৰকাৰৰ ১৯৮৬ চনত "New Policy on Education"ৰো শিক্ষাক সাৰ্বজনীন কৰাৰ পদক্ষেপ যেন সফল নহ'ল। ইয়াৰ কাৰণ হয়তো পাঠ্যপুথি মানদণ্ড হ্ৰাস হোৱাৰ লগতে পৰীক্ষা ব্যৱস্থাৰ শিথিলকৰণো হ'ব পাৰে।

বৰ্তমান বহু চৰ্চিত বিষয় হ'ল নতুন ৰাষ্ট্ৰীয় শিক্ষা-নীতি ২০২০।১৯৮৬চনতে গৃহীত হোৱা আকৌ ১৯৯২চনত সংশোধন ঘটোৱা এই ৰাষ্ট্ৰীয় শিক্ষা-নীতি ৰোৱা ইংৰাজী ৩০জুলাই ২০২০তাৰিখে কেন্দ্ৰীয় কেবিনেটে নতুন শিক্ষা-নীতিখনক অনুমোদন জনায়। এই শিক্ষা-নীতিখনৰ খচৰা ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO)ৰ প্ৰাক্তন মুৰব্বী ড° কে কস্তুৰীৰংগনৰ অধ্যক্ষতাত প্ৰস্তুত কৰা হয়। শিক্ষা মন্ত্ৰালয়ে ২০১৯চনত ইয়াক ৰাজহুৱা কৰিছিল।ভাৰতৰ বৰ্তমান প্ৰচলিত শিক্ষা ব্যৱস্থা ৰ পৰিবৰ্তন সাধন কৰি এক নতুন ৰূপত তোলাই এই শিক্ষা-নীতিখনৰ প্ৰধান লক্ষ্য।



এই শিক্ষা-নীতি অনুসৰি ভাৰতে প্ৰত্যেক বছৰে মুঠ GDPৰ ৪ৰ পৰা ৬শতাংশলৈ শিক্ষা ক্ষেত্ৰত খৰছ কৰিব।

ৰাষ্ট্ৰীয় শিক্ষা-নীতি ২০২০-এ শিক্ষা ক্ষেত্ৰত অনা এই পৰিবৰ্তন সমূহ হ'ল----শৈশৱৰ প্ৰাৰম্ভিক যতন, শিক্ষা বুনিয়াদী সাক্ষৰতা আৰু সংখ্যা জ্ঞান অৰ্জন, বিদ্যালয় শিক্ষাৰ নতুন গাঁথনি।এই নতুন গাঁথনিতে ৰাষ্ট্ৰীয় শিক্ষা-নীতি ২০২০-এ বিদ্যালয় শিক্ষাক বৰ্তমানৰ ১০+২ ব্যৱস্থাৰ পৰিৱৰ্তে ৫+৩+৩+৪ গাঁথনিত বিভক্ত হ'ব।এই গাঠনিটো এনেধৰনৰ হ'ব তেনে ৩ বছৰৰ পৰা ৮বছৰলৈ আধাৰমূলক স্তৰ, ৮ বছৰৰ পৰা ১১বছৰলৈ প্ৰস্তুতি মূলক স্তৰ ,১১বছৰৰ পৰা ১৪ বছৰলৈ মধ্যম স্তৰ ।

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০-এ শিক্ষাৰ্থীসকলৰ শৈক্ষিক বিষয়সমূহত প্ৰয়োজনীয় পাঠ্যক্ৰমৰ কিছু পৰিবৰ্তন কৰা পোষকতা কৰিছে ।এই পদক্ষেপত "Learning should be holistic , intigrate,inclusive ,enjoyble ,engaging "--NEP 2020।

ইয়াৰ লক্ষ্য বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাৰ জৰিয়তে ২০২৫ চনৰ ভিতৰত অতি কমেও ৫০% শিক্ষাৰ্থী য়ে বৃত্তি মূলক শিক্ষা আহৰণৰ কৰিব। এই শিক্ষা-নীতিয়ে শিক্ষাৰ্থীৰ অন্যান্য দিশসমূহ যেনে: অভিজ্ঞতাৰ পৰা শিক্ষা ,সঘনাই স্বাস্থ্য পৰীক্ষা কৰোৱা, বিদ্যালয় এৰাৰ প্ৰৱণতা হ্ৰাস কৰা, বৰ্তমানৰ ত্ৰি-ভাষিক সূত্ৰক অধিক শক্তিশালী ৰূপত ৰূপায়ন কৰা, স্হানীয় চিহ্ন ভাষাবোৰৰ সন্মান জনোৱা, ভৌগোলিক অৱস্থিতি , সামাজিক অনগ্ৰসৰতা , শাৰীৰিক বা মানসিক প্ৰতিবন্ধকতাৰ বাবে তাতে শিক্ষাৰ পৰা বঞ্চিত নহয় তাক সুনিশ্চিত কৰা, বিশেষ প্ৰতিভা সম্পন্ন শিক্ষাৰ্থীসকলৰ বাবে সমৰ্থন, মূল্যায়ন সম্পৰ্কীয় পৰিবৰ্তন আদি।

নতুন ৰাষ্ট্ৰীয় শিক্ষা-নীতিয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাসমূহৰ কিছু সংশোধন কৰাৰ পোষকতা কৰিছে। ইয়াৰোপৰি শিক্ষাৰ্থীৰ মূল্যায়নৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ PARAKH (Performance Assessment Review and Analysis of Knowledge for Holistic Development)নামৰ এখন নতুন কমিটি গঠন কৰা পৰিকল্পনা কৰিছে ।

নতুন ৰাষ্ট্ৰীয় শিক্ষা-নীতিয়ে শিক্ষণ শিকনত ICT সমন্বিতকৰন কৰি শিকিবলগীয়া আৰু শিকাবলগা বিষয়বস্তুৰ লগত জড়িত শিকন উদ্দেশ্য আৰু শিকন ফলাফল আহৰণৰ বাবে ডিজিটেল আৰু ইন্টাৰনেটক মাধ্যম হিচাপে লোৱাৰো উল্লেখ আছে ।

এই শিক্ষা-নীতিত শিক্ষক হ'বৰ বাবেও চাৰি বছৰীয়া বি.এড.পাঠ্যক্ৰমৰ ব্যৱস্থা কৰাৰ কথা উল্লেখ আছে আৰু স্বচ্ছ শক্তিশালী প্ৰক্ৰিয়াৰ মাধ্যমেৰে শিক্ষক নিযুক্তি উল্লেখ আছে। যিহেতু শিক্ষক সকলেই হৈছে দেশৰ ৰাজহাড় ।শিক্ষক সকল শিকাৰু হোৱাৰ লগতে শিক্ষাৰ্থীসকলৰ মনত মহান ঐতিহ্য আৰু সামাজিক মূল্যবোধৰ আধাৰো প্ৰস্তুত কৰিব লাগিব। আধুনিক প্ৰযুক্তিৰ সহায়ত শিক্ষাৰ্থীসকলৰ ওচৰত স্বয়ংক্ৰিয় শিক্ষক হিচাপে উপযুক্ত কৰি তুলিব লাগিব ।শিক্ষকৰ প্ৰচেষ্টা হ'ব লাগিব মূল্য আধাৰিত শিক্ষা।শিক্ষাৰ পৰা হোৱা জ্ঞানে নিজ অভিজ্ঞতাৰ জৰিয়তে জন্ম হোৱা মূল্যবোধে যাতে দেশ নিৰ্মাণৰ সামৰ্থ্যৰ সৃষ্টি কৰে।




এখন নতুন ৰাষ্ট্ৰীয় শিক্ষা-নীতি বহু বছৰৰ মূৰত ভাৰতবৰ্ষই লাভ কৰিছে। কিন্তু প্ৰত্যাহ্বান প্ৰতি মূহুৰ্ততে আছে । বৰ্তমান শতিকাৰ প্ৰয়োজনীয় সম্বল আধাৰিত এই শিক্ষা-নীতিয়ে তাতে কাৰ্য্যকৰী কৰণত তাতে সফল হয়।আমি আশা কৰিম আমাৰ কণ কণ শিশুসকলৰ ভৱিষ্যত যাতে চিন্তাভাৱনাৰে গধূৰ নহৈ শিশুৰ মুখৰ মিচিকিয়াই অটুট থাকে। শিক্ষাৰ্থীসকলৰ মাজত আত্মনিৰ্ভৰশীল ভাৱৰ সৃষ্টিয়ে সৃজনীশীলতাক উদ্দীপিত মনে কৰ্মসংস্হান বিচৰাৰ সলনি সংস্হান উৎপাদক হ'ব পাৰে।

নতুন ৰাষ্ট্ৰীয় শিক্ষা-নীতি ২০২০-এ অনাগত দিনত ভাৰতবৰ্ষৰ সকলো বিদ্যালয় শিক্ষাৰ কেন্দ্ৰ হোৱাৰ সলনি জ্ঞান আৰু দক্ষতাৰ কেন্দ্ৰ হওক। এই শিক্ষা-নীতি লক্ষ্য সাধনৰ পথত অহা সকলো অন্তৰায় আতৰ কৰি ২০৩০চনত বহনক্ষম সকলো দিশৰ উন্নয়নৰ লক্ষ্যত তাতে উপনীত হ'ব পাৰে ।

আমি আশাবাদী।

----------------------

লেখক----
দিপ্তীৰেখা নেওগ
প্ৰধান শিক্ষয়িত্ৰী
চিচাপথাৰ মৰনৈ
প্ৰাথমিক বিদ্যালয়।

# কেনেদৰে বিকশিত হ'ব প্ৰাথমিক বিদ্যালয়ৰ মানদণ্ড



প্ৰাথমিক বিদ্যালয়ৰ আটাইতকৈ ডাঙৰ সমস্যাতো হ'ল শ্ৰেণী অনুসৰি শিক্ষকৰ অভাৱ । ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষকৰ অভাৱ । বহু বিদ্যালয় এতিয়াও এজনীয়া শিক্ষককে পৰিচালিত হৈ আছে। তেনেস্থলত ছাত্ৰ- ছাত্ৰী সকলৰ শিক্ষাগ্ৰহণ কাৰ্যৰ অৱনতি ঘটিছে । তাৰোপৰি প্ৰাক-প্ৰাথমিক তথা "ক" শ্ৰেণীটোও চাব লাগে। শ্ৰেণী অনুসৰি শিক্ষকৰ অভাৱৰ বাবে ছাত্ৰ-ছাত্ৰী সকলে উপযুক্ত শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত হৈছে। শিক্ষক বা শিক্ষয়িত্ৰী গৰাকীয়ে "ক" মানৰ পৰা "পঞ্চম" মানলৈ এই কণ কণ শিশুসকলৰ পঢ়া-শুনা উপৰিও বাহিৰে ভিতৰে বহু ক্ষেত্ৰত নজৰ ৰাখিব লাগে। যেনেকৈ ঘৰ এখনত এটি শিশু জন্মৰ পিছত পিতৃ-মাতৃৰ যি গধুৰ দায়িত্ব বাঢ়ে, তাতকৈ বহুগুণে প্ৰাথমিক বিদ্যালয়ৰ শিশুটিৰ গুৰুত্ব প্ৰতিজন শিক্ষক- শিক্ষয়িত্ৰীৰ দায়িত্ববোধ অধিক পৰিমানে বাঢ়ে।

এগৰাকী আদৰ্শবান পিতৃ-মাতৃ শিশুৰ প্ৰকৃত পথ প্ৰদৰ্শক। সেইদৰে বিদ্যালয় এখনৰ শিক্ষক-শিক্ষয়িত্ৰী গৰাকীও মানৱ সম্পদ গঢ় দিয়াৰ ভৱিষ্যত প্ৰজন্মৰ বাবে পথ-প্ৰদৰ্শক। এটি সৰু গছপুলি যতন কৰাৰ দৰে তেওঁলোককো সৰু কালতে উপযুক্ত শিক্ষাৰে শিক্ষা দি ভৱিষ্যত দেশৰ সু-নাগৰিক হোৱাৰ পথত আগুৱাই নিব লাগে।প্ৰাথমিক পৰ্য্যায়তে শিশু সকলক সম্পূৰ্ণ শাৰীৰিক , মানসিক, সুস্থ-সবলতা, ধৈৰ্য্য, সহনশীলতা, সাধুতা, নম্ৰতা , সত্যবাদিতা, আদি গুণৰ অধিকাৰী হোৱাকৈ শিক্ষক-শিক্ষয়িত্ৰী সকলে দায়িত্ব নল'লে এটি শিশুক ভৱিষ্যত জীৱনত পূৰ্ণাঙ্গ ৰূপত গঢ় দিয়াতো সম্ভৱ হৈ নুঠে । সেয়েহে শিক্ষকৰ সংখ্যা শ্ৰেণী অনুসৰি এজনকৈ নথকাত ছাত্ৰ-ছাত্ৰী সকলক সকলো দিশ সামৰি কেনেকৈ আগুৱাই নিব ?

প্ৰাথমিক পৰ্য্যায়ত শিশুসকলৰ মাজত লুকাই থকা সুপ্ত প্ৰতিভাসমূহ শিক্ষক-শিক্ষয়িত্ৰী সকলে প্ৰকাশ কৰিবলৈ যথেষ্ট সময় দিব লাগে। তেওঁলোকৰ লগত বিভিন্ন ধৰণৰ ক্ৰিয়া- কলাপৰ জৰিয়তে মনৰ ভাব বুজি লৈ যিয়ে যি ভাল পায় তেওঁক সেই প্ৰতিভাৰে পৰিচয় কৰি বন্ধুসুলভ হৈ প্ৰতিভাখিনি প্ৰকাশ কৰাব লাগে। কম বা এজনীয়া শিক্ষকৰ ক্ষেত্ৰত ইমানবোৰ দায়িত্ব লৈ পাঠদান আগুৱাই নিবলৈ সময়ৰ অভাৱ হয়। অৱশেষত শিশুসকলক দিয়া উচিত শিক্ষাৰ সময়েই নিমিলে। তেওঁলোকৰ লগত লাগি থাকিব লাগে। নৃত্য-গীত, সাধু, খেল-ধেমালি, ছবি অংকন, কবিতা আবৃত্তি আদি বিভিন্ন দিশ সমূহ সামৰি তেওঁলোকক অংশগ্ৰহণৰ সুযোগ দি সৃজনী শক্তি প্ৰতিভাৰ প্ৰকাশ কৰাবলৈকো অতিৰিক্ত সময়ৰ প্ৰয়োজন হয়।

প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে শিশু সকলক বিদ্যালয়লৈ অহাৰ পৰা যোৱা সময়লৈকে বিভিন্ন দিশ সামৰি শিক্ষা দিয়াৰ উপৰিও বিদ্যালয় পৰিচালনা সমিতি লগত যোগাযোগ ৰাখিব লাগে। অভিভাৱক সকলক মাজে-মাজে সময় দিব লাগে। সভা- সমিতি পাতি তেওঁলোকক খতিয়ান দাঙি ধৰিব লাগে। তদুপৰি শিক্ষক-শিক্ষয়িত্ৰী গৰাকীৰ কাৰ্যলয়কেন্দ্ৰিক কাম-কাজ থাকে । আজিকালি বিভিন্ন ধৰণৰ কামৰ হেঁচাৰ বাবে শিক্ষকজন বিভিন্ন কামত নিয়োজিত হোৱাত উচিত পাঠদান কাৰ্য্যৰ পৰা বঞ্চিত হয় । গতিকে শিক্ষক যদি শ্ৰেণী অনুসৰি নিয়োগ নকৰে তেনেহলে উপযুক্ত উন্নত মানদণ্ডৰ পৰা বিদ্যালয়সমূহ অগ্ৰগতি হোৱাত বাধা হৈয়েই থাকিব । প্ৰাথমিক বিদ্যালয় সমূহ যদি এজনীয়া শিক্ষকৰ পৰিবৰ্তে শ্ৰেণী প্ৰতি শিক্ষক দিয়ে তেনেহলে মই ভাবো সকলো ছাত্ৰ-ছাত্ৰীয়ে উন্নত শিক্ষাৰে বিদ্যালয় শিক্ষা গ্ৰহণ কৰি উন্নত মানদণ্ড অক্ষুন্ন ৰাখিব ।

গুণদা দাস হাজৰিকা, লাওখোৱা

# Sustainable Development Goal 4 (QUALITY EDUCATION)and Covid-19 in India

## "Ensure inclusive and equitable quality education and promote lifelong learning opportunities for all"

Rama kant Rai*
Convener, National Coalition for Education (NCE) India

The Sustainable Development targets for 2030 calls for ensuring the completion of primary and secondary education by all boys and girls, and guaranteeing equal access to opportunities for access to quality technical and vocational education for all. Policy interventions will require improving access and improving quality, as well addressing relevant obstacles which include gender inequalities, food insecurity, and armed conflict. The most challenging concern is provisioning of adequate funding to achieve SDG goal 4.

The SDG Agenda for Sustainable Development Goal 4 – '***Ensure inclusive and equitable quality education and promote lifelong learning opportunities for all*** (hereafter referred to as "Education 2030") – and its associated targets, to be achieved by 2030.

Needless to reiterate that SDG 4 goals are beyond school education, rather they cover technical, tertiary, University Education and lifelong learning for all. Every effort must be made to guarantee that this time the goal and targets are achieved. This requires strong political will, clear strategies, indicators, programme and resources from state.


After signing this ambitious covenant more than five years have lapsed and the progress is still sluggish in terms of policies and budgetary resources from government.

## I. Progress of school education as indicated by NITI AAYOG

National Institution for Transforming India (NITI Aayog), the nodal body mandated to oversee the progress on the 2030 Agenda, has been monitoring the progress of SDG in India. NITI AYOG has prepared index of performance of SDG 4. To measure India's performance towards the Goal of Quality Education, eleven national level indicators have been identified, which capture six out of the ten SDG targets for 2030 outlined under this Goal. These indicators have been selected based on the availability of data to ensure comparability across States and UTs.

The following table presents the composite scores of the States and UTs on this Goal. It also shows a breakdown of the States and UTs by indicator. Goal 4 Index Score SDG Index Score for Goal 4 ranges between 29 and 80 for States and between 49 and 79 for UTs. Kerala and Chandigarh are the top performers among the States and the UTs, respectively. Five States and three UTs bagged a position in the category of Front Runners (score range between 65 and 99, including both). However, nine States and two UTs fell behind in the Aspirants category (with Index scores less than 50).

SDG 4 Index Score of States/ Uts2018-19




Source: [SDG_3.0_Final_04.03.2021_Web_Spreads (1).pdf]

## II. The challenges ahead!

(1) **Inadequate Education Budget 2021-22:** The budget requirement to achieve SDG 4 was supposed to be in accordance with the targets and sub-targets for next 15 years. According to the report prepared by Technology and Action for Rural Advancement (TARA- An organization assigned to make assessment of resources for SDG by UNDP) The total funds needed for India to reach SDG-4 by 2030 is USD 2,258 billion, means from 2017 to 2030 averages USD 173 billion per year (12110 billion INR), whereas current govt budget of 992.24 billion Rupees (2021-22) is too less.

*Source:1. (Ecebook_forweb.pdf (avpn.asia)*
*2. Funding education with impact | India Development Review (idronline.org)*

(2) The MHRD's budget is continuously declining. A similar trend is seen in terms of GDP. The total allocation to school and higher education in 2021-22 budget is Rs 93,2240 million against last year budget of Rs 99,3110 million in 2020-21 (BE) which was revised to Rs 85,0890 million. Thus, there is a reduction of Rs 6,0870 million from the 2020-21 budgets (BE). *Thus there was a 6.1 percent decline in the allocation for education sector in today's budget announcement.*

(3) The Samagra Shiksha scheme, being the main scheme for implementing the Right to Education (RTE) Act, has faced a massive cut in the budget. While last year the scheme was allocated Rs 38,7500 million (BE), this year, it has received Rs 31,0500 million. Thus a 20% cut in the BE Budget. This cut in Samagra Shiksha budget will be counterproductive for the poor children under Right to Education Act provision.

(4) Also the National Scheme of Incentive to Girls for Secondary Education, which covers girls of SC/ST communities who pass Class VIII and enroll in Class IX in government and government-aided schools, faces a drastic cut from Rs 1100 million last year (2020-21) to just Rs 10 million in present budget.

## III. Progress recorded by UDISE (Unified District Information on school education) Report 2019-20

- A total of 26.45 crore (264 Million) students were enrolled in school education from pre-primary to higher secondary in 2019-20, higher by 4.23 million compared to 2018-19. The enrolment of girls increased at all levels of school education in 2019-20 compared to 2018-19. The increase was highest in pre-primary (14.2 %). The UDISE+ 2019-20 stated that in 2019-20, total students in school education from primary to higher secondary is a little above 250.9 million. This is higher by 2.63 million compared to 2018-19. There is a net addition of 4.23 million students in school education in the year 2019-20 compared to 2018-19 which is higher by 1.6%.

- The number of teachers in school education increased by 2.72% in 2019-20 compared to 2018-19. In 2019-20, 9.69 million teachers were engaged in school education, about 0.26 million higher compared to the statistics in 2018-19.

- The report has pointed out that the Gross Enrolment Ratio (GER) at all levels of school education had improved in 2019-20 compared to 2018-19.

- "The GER increased to 89.7% pc (from 87.7%) at Upper Primary level, 97.8% (from 96.1%) at Elementary Level, 77.9% (from 76.9%) at Secondary Level and 51.4 % (from 50.1%) at Higher Secondary Level in 2019-20 (from 2018-19),".
- Between 2012-13 and 2019-20, the GER for girls at both secondary and higher secondary level has increased more than that of the boys. GER for girls at secondary level has gone up by 9.6% to reach 77.8% in 2019-20, it was 68.2% in 2012-13.

- In the infrastructure facility the report noted that more than 90% schools in India had hand-wash facilities in 2019-20. This is a major improvement, as this percentage was only 36.3 pc in 2012-13. Though there has been marked improvement in the last seven years (2012-13) when close to a quarter of the school didn't have electricity, at present 83.4% (an improvement by almost 7% from 2018-19) does have electricity.
- DISE+ report indicates that the schools are far from disable friendly as the majority of the schools don't have ramps with hand rails or toilets for children with special needs (CWSN).
- More than 82% schools conducted medical check-ups of students in 2019-20, an improvement by more than 4% over the previous year, 2018-19. In 2012-13, about 61.1% of schools conducted medical check-ups for students.
- About 38.5% schools in India had computers in 2019-20, an improvement by more than 4% over the previous year and an improvement from 22.2% seven years ago, the base year cited by the report. Internet connectivity too is low at 22.3%, though a significant jump from 18.7% in 2012-13.

UDISE+ report: School education added 42.3 lakh students in 2019-20 - Times of India (indiatimes.com)

**IV.Some more challenging picture:**

**Only 39 per cent schools in the country had computers while only 22 per cent had an internet connection in 2019-20, according to the Unified District Information System for Education Plus (UDISE+).**

The report also said that more than 90 per cent schools had hand-wash facility in 2019-20, a major improvement from 2012-13 when it was just 36.3 per cent.
"About 39 pc schools in India had computers in 2019-20, an improvement by more than 6 pc over the previous year. More than 22 pc schools in India had internet connectivity in 2019-20, an improvement of more than 3.5 pc over the previous year," the report said. During the period, more than 83 per cent schools had electricity in 2019-20, an improvement by almost 7 per cent over the previous year, 2018-19. "In 2012-13, about 54.6 pc schools had electricity. More than 84 pc schools in India had a library/reading room/reading corner in 2019-20, an improvement of nearly 4 pc compared to the previous year. In 2012-13, about 69.2 pc schools had library/ reading room/ reading corner," it said. Unified District Information on School Education (UDISE), initiated in 2012-13 by the Ministry of Education by integrating DISE for elementary education and SEMIS for secondary education, is one of the largest Management Information Systems on school education covering more than 1.5 million schools, 8.5 million teachers and 250 million children.

FacebookTwitterInstagramTelegramGoogle News

Only 39 per cent schools in the country had computers while only 22 per cent had an internet connection in 2019-20, according to the Unified District Information System for Education Plus (UDISE+) report released on Tuesday. The report also said that more than 90 per cent schools had hand-wash facility in 2019-20, a major improvement from 2012-13 when it was just 36.3 per cent.

**V.Now online/ digital education is being promoted: What does this mean for India and its people?**

India has the world's second-largest school system, after China. Shutting schools to maintain social distancing amidst the COVID-19 crisis was the most logical solution to avoid community transmission. However, this prolonged closure has a disproportionately negative impact on the most vulnerable students. The pandemic has not only caused the wide rift in educational inequality to balloon but also exacerbated existing disparities.
A total of 320 million learners in India have been adversely affected and transitioned to the e-learning industry, which comprises a network of 1.5 million schools. An NSSO 2014 report highlights that 32 million children were already out of school before the pandemic — the majority of them belonging to the socially disadvantaged class in the country.While the government endorses India as the flag-bearer of the digital revolution and acknowledges that it is a diverse and multilingual country, as supported by the recently drafted new education policy, e-learning platforms cannot replicate the various dialects, varied contexts and different lived experiences that are brought together by physical classrooms. If e-learning is the "new normal", the policy must go further to address the feasibility of digitalization to ensure equity and quality in education.

- A total of 320 million learners in India have been adversely affected by the COVID-19 pandemic and have transitioned to e-learning;
- With huge regional and household disparities in access to the internet and technology, this transition has not been possible for all students and educators;
- The rapid shift to e-learning prompted by the pandemic has resurfaced long-standing issues of inequality and a digital divide in India that must be addressed by future economic, education and digitalization policies.

However, In a recent 2017-18 survey, the Ministry of Rural Development found that only 47% of Indian households receive more than 12 hours of electricity and more than 36% of schools in India operate without electricity. This suggests that while students from families with better means of living can easily bridge the transition to remote learning, students from underprivileged backgrounds are likely to succumb to inefficiency and a lack of adaptation, either because of the inaccessibility of the technology or the low education of their parents to guide them through tech-savvy applications.

Aside from the stresses of access and affordability, a daunting task for a student is to keep up with their studies and peers. Unlike an active classroom setting, e-learning does not accommodate one-to-one discussions or problem solving with tutors. Reports emphasize that the receivers (students) are not the only ones struggling – teachers are too. Teachers and institutions are not always trained and equipped to transition to online teaching. Many teachers are unqualified when it comes to using new technologies and interfaces.

**Some disturbing facts from NSSO data:**

- Only 4% of households own a computer in rural India.
- 23.4% of households own a computer in urban India.
- Less than 15% of rural Indian households have internet access.
- 42% of urban Indian households have internet access.

Source: National Sample Survey Office (*NSSO*) 2017-18 report

- **Lack of resources and skilled teachers in rural India**: Now let's focus on the infrastructure, resources and educators in rural India; the only answer we would get is the inefficiency and lack of adaptation among the educators themselves. If the teachers are not ready, then how would they prepare students?
- Increased e-learning platforms could be efficient in urban India, **but still, it is far away from communicating the various dialects, varied contexts and different moral lessons that are executed in physical classrooms in an efficient way.** Besides, there is a little scope for building an emotional bonding between students and educators on the e-learning platform.
- Increased screen-time is becoming a genuine threat to the physical and psychological health of the students.
- Education does not only mean learning through pen and paper mode, but education also contains sports, extracurricular activities which are not possible under the electronic platform.

**E-learning is efficient to a limited extent but it should be noted that E-learning can never be the medium of the universal pursuit of knowledge. Intellectual socialization is also being compromised under E-learning.**
According to the Key Indicators of Household Social Consumption on Education in India report,

Based on the 2017-18 NSSO, fewer than 15% of rural Indian households have internet access (as opposed to 42% urban Indian households). A mere 13% of people surveyed (aged above five) in rural areas — just 8.5% of females — could use the internet. Girls in vulnerable households face increased domestic duties inducing their inability to access online education either because of inadequate access to the internet and gadgets or because the male child and his teaching are prioritized. This silent exclusion of children belonging to families in distress may cause child labour and child marriage.Covid-19 fallout: The impact on education in India (msn.com)

## VI. Covid-19 fallout: The impact on education in India,(India Today)

- Over 1.5 million schools across India closed down due to the pandemic
- Only 24 per cent house-holds have access to the internet, according to a 2019 government survey.
- In rural India, the numbers are far lower, with only 4 per cent households having access.
- The education ministry's budget for digital e-learning was slashed to Rs 4690 million in 2020-21—the year Covid struck—from Rs 6040 million the previous year

## VII. Extreme poverty compels marginalized children to go for bread earning:

The poverty is one of the detrimental factors affecting the school education in marginalized and unorganized sector families. Here is a case which is self explanatory. In one of the govt aided schools in Allahabad district children were supposed to attend digital learning classes. While I asked the teacher as to how the digital learning is going one. She said," Children are not able to attend the digital classes as they either don't have smart phones or cannot afford the internet data connection.

> *Ashok Bind Mohan, Ramesh, Rahul (names changed) and 10 others from Daraganj (Baxi Khurd), Prayag Raj (Allahabad),UP are all between 10 to 15 years age group and are enrolled in elementary education(Grade5 to 8). Their school got closed due to lockdown from 13th March 2020. They were asked to attend digital learning from home with smart phones. They are extremely poor and parents have no job during lockdown. They don't have smart phones and those who have cannot afford net pack (internet connectivity)*
>
> *When the teacher asked as to why they are not attending the digital classes they replied," Mam, we get up early in the morning around 3 to 4 am and in a group we rush to river for fishing. By 5 pm we collected the fishes and rush to local market and sell the fish. From the sales proceeds we purchase rice and kitchen provisions. We also bring some unsold fishes to our home. Then our mother cooks the fish and rice for entire family. By the time we eat we are too tired and go to sleep .For us digital learning is a dream which is difficult to come true."*

## VII. Challenge of gender gap and out of school children and SDG 4:

The UNESCO published Global Education Monitoring Report, 2014 (GEM) states that 37% of the world's non-literate individuals are in India. The report also suggests that 280 millions of these are just women. Literacy rates among the marginalized sections of the society are abysmally low. The literacy rate of 15+ years of rural women among Muslim women is 47.25%, 43% for SC women and a mere 37.05% for ST women. These children need special attention in school education.

Also UNESCO's reports that shutting down of schools due to the Covid-19 pandemic comes with a warning of "potential for increased drop-out rates which will disproportionately affect adolescent girls, further entrench gender gaps in education and lead to increased risk of sexual exploitation, early pregnancy and early and forced marriage". UNESCO has called for policy-makers and practitioners to look into lessons from the past crises to address the challenges faced by girls as the governments of various counties prepare for "indefinite" school closures.

As per Ms Protiva Kundu's article "The gender divide in internet usage is also stark." As per the Internet and Mobile Association of India report, in 2019, while 67% men had access to internet, this figure was only at 33% for women. The disparity is more prominent in rural India, where the figures are 72% and 28% for men and women, respectively"

## VIII. Adverse effects marring education of poor children:


Mobile addiction to behaviour change: Effects of lockdown on children (jagran.com).The survey reveals that as high as 65.2 per cent students reported physical problems, 23.40% gained weight, 26.90% suffered headache/ irritability and 22.40% had reported eye pain and itching.(Publish Date: Sun, 05 Jul 2020)

Effects of lockdown on children are surely manifesting in a very ugly and unpleasant way. A recent sample survey reveals that around 65% children were found to be addicted to their devices, mostly mobile phones. When asked to leave their devices these children expressed anger, cried, didn't listen to their parents, showed irritable behaviour. They were unable to stay away from the device even for half an hour.

**A study was carried out by physicians at JK Lone Hospital in Jaipur** on 203 children to study the impact of the COVID-19 lockdown. It was conceived by Dr Ashok Gupta, Medical Superintendent & Senior Professor, Department of Pediatrics.

The survey reveals that as high as 65.2 per cent students reported physical problems, 23.40% gained weight, 26.90% suffered headache/ irritability and 22.40% had reported eye pain and itching. 70.70% students with high screen exposure during the lockdown days have behavioural problems, 23.90% skipped their daily routines, 20.90 per cent became careless, 36.80 per cent became stubborn and 17.40% reported a reduced attention span. It was concluded that after the lockdown almost all the children had a screen time increase of 2-3 times (5 hours/day from 2 hours/day) which reduced their physical activity.

About 50% of these children had difficulty in sleeping after going to bed for 20 to 60 minutes and 17% of the children wake up in the middle of their sleep at night and take 20 to 30 minutes to get back to sleep. They also suffered daytime sleepiness, daytime tiredness, headache and irritability, weight gain, change in body and back pain and changed toilet habits. See the graphic below:




**IX. Effect on Unorganized sector:**

[COVID-19 crisis can push 40 crore informal sector workers in India deeper into poverty: ILO - The Economic Times (indiatimes.com)]

**COVID-19 crisis can push 400 Million informal sector workers in India deeper into poverty: ILO**

Vovid-19 has badly affected the informal sector in India."The COVID-19 crisis has the potential to push around 40 crore informal sector **workers** in **India** deeper into poverty, with the lockdown and other containment measures affecting jobs and earnings, an **International Labour Organisation** (ILO) report .

**"COVID-19 is already affecting tens of millions of informal workers In India.**

"In India, with a share of almost 90 per cent of people working in the informal economy, about 400 million workers in the informal economy are at risk of falling deeper into poverty during the crisis.

"Current lockdown measures in India, which are at the high end of the **University of Oxford**'s COVID-19 Government Response Stringency Index, have impacted these workers significantly, forcing many of them to return to rural areas," it said.

"They are less equipped to prepare for and respond to COVID-19 as access to basic services, especially health and sanitation, is limited; decent work, social protection and safety at work are not a given; their institutions are weak; and social dialogue is impaired or absent," it added.

**Recommendations**:

1. SDG4 and Education for all should remain the sole and final responsibility of the governments and should not be given to private sector.
2. The online education will not be able to be an alternative of regular schooling and should not be an instrument to school closure.
3. There should be open consultations with teachers Unions, Civil society organizations, media and academicians regarding the FDI and ECB govt decision to open education for profit.
4. The role of govt should be to strengthen our public education system rather than handing over the governance to private and overseas players as in case of STARS project.
5. Remove the proposal for piloting engagement of non-state actors in education including handing over of government schools, outsourcing of services, engagement of management firms and school vouchers since many of these measures have been attempted in the past and failed.
6. Prioritize developing State capacity and innovation within the public sector in order for change to be sustainable. This requires (a) less reliance on non-state actors, (b) freedom and untied funds for SCERTS, DIETs, etc., (c) sufficient human resources
7. Include a strong focus on equity and focus on Dalit, Adivasi, poor, dropout and child labour girls, and Minority communities to redress age old inequality and discrimination.
8. Strengthen social accountability in education through building clear mechanisms for strengthening the voice of parents, statutory structures for community participation (SMCs) and local self-governance structures.
9. No outsourced private agency should be assigned the school and teachers assessment.

*The author can be contacted at cosar.lko@gmail.com +91 7011255324

# গল্প

# আনমনা সেই ছোৱালীজনী



সুদুৰ জাপান দেশৰ এখন সৰু গাৱঁত এজন বেহেলা বাদকৰ এজনী বৰ মৰমৰ ছোৱালী আছিল ।দেউতাকে মৰমতে ছোৱালীজনীৰ নাম ৰাখিছিল “তত্বচান” ।মাক-দেউতাকৰ মৰমৰ মাজত ছোৱালীজনী ক্ৰমান্বয়ে
ডাঙৰ হ'বলৈ ধৰিলে ।আৰু এদিন তাইৰ পঢ়াৰ বয়স হৈ অহাত মাক-দেউতাকে বহুতো আশাৰ সপোন বুকুত বান্ধি ওচৰৰে এখন ব্যক্তিগত খণ্ডৰ প্ৰাথমিক বিদ্যালয়ত মাকে তাইৰ নাম ভৰ্তি কৰাই দিলে ।সেইদিনাৰে পৰাই আৰম্ভ হ'ল তত্বচানৰ শৈক্ষিক জীৱন ।তাই আছিল খুব চঞ্চল ।শ্ৰেণীত যেতিয়া শিক্ষয়িত্ৰীয়ে পঢ়াই থাকে ,তাই
পঢ়াত মন নিদি কেতিয়াবা বিদ্যালয় খনৰ কাষৰ আলিবাটটোৰেদি যোৱা ৰং-বিৰঙৰ কাপোৰ পিন্ধা মানুহবোৰলৈ চাই থাকে ।আকৌ কেতিয়াবা তাইৰ বেগৰ পৰা ৰঙীন পেঞ্চিল উলিয়াই ছবি আঁকি থাকে ,কেতিয়াবা টেবুলৰ পৰা চক্ ,দ্ৰাষ্টাৰ আদি দলিয়াই পেলাই শ্ৰেণীত এক হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে।

এদিন শ্ৰেণীত শিক্ষয়িত্ৰী বাইদেউয়ে পঢ়াই থাকোঁতেই বাটেদি “ড্ৰাম” বজাই গৈ থকা এজন মানুহক দেখা পাই আনন্দত মতলীয়া হৈ তত্বচানে নাচিবলৈ ধৰিলে।শিক্ষয়িত্ৰী গৰাকীয়ে তত্বচানক মনোনিবেশ কৰি ভাৱিলে যে ,তত্বচান সঁচাকৈয়ে খুউব চঞ্চল ।তেওঁ তত্বচানৰ মনটো
পঢ়াত সন্নিবিষ্ট কৰিবৰ বাবে শ্ৰেণীত এখন জাতীয় পতাকা আঁকিবলৈ কোৱাত তত্বচানে মূহুৰ্তৰ ভিতৰতে এখন নৌ -বাহিনীৰ পতাকা আঁকি দেখুৱালে ।তত্বচানৰ এই অন্যমনস্কতাত শিক্ষয়িত্ৰী গৰাকী অতিষ্ঠ হৈ উঠিল আৰু পাছদিনা তাইৰ মাকক মাতি আনি ক'লে যে তত্বচান খুব দুষ্ট ।তাইক তেওঁলোকৰ বিদ্যালয়ত আৰু পঢ়িবলৈ দিব নোৱাৰে।
তেতিয়া তত্বচানৰ মাকৰ মাতৃ হৃদয় বেজাৰত উচুপি উঠিল ।কিন্তু মাকে আনমনা ছোৱালীজনীক একো বুজিবলৈ নিদি বিনা প্ৰতিবাদেৰে ঘৰৰ পৰা অলপ দূৰৰ এখন চৰকাৰী প্ৰাথমিক বিদ্যালয়লৈ লৈ গ'ল ।তালৈ গৈ তত্বচানে দেখিলে যে বিদ্যালয়খন ৰেলৰ ডবাৰ দৰে দীঘল আৰু শিক্ষকজন জধলা ,লেতেৰা কোট-পেন্ট পিন্ধা তপামূৰীয়া অলপ বুঢ়া।
চঞ্চলমতী তত্বচানে তপৰাই শিক্ষকজনক সুধিলে -“আপুনি ৰেলৰ মাষ্টৰ নে বিদ্যালয়ৰ মাষ্টৰ ?”

নতুনকৈ যোৱা কোনোদিনো নেদেখা ছোৱালীজনীৰ এনে প্ৰশ্নই শিক্ষকজনৰ মনৰ মাজত এক আলোড়ণৰ সৃষ্টি কৰিলে ।তেওঁ ছোৱালীজনীৰ মাকক দূৰলৈ পঠাই দি তাইক বিভিন্ন কথা সুধিবলৈ ধৰিলে ।তত্বচানেও মনৰ আনন্দত উৎফুল্লিত হৈ অনৰ্গল ভাৱে কথা কৈ গ'ল ।কথাৰ মাজতে তাই পিন্ধি যোৱা ফুটফুটীয়া ৰঙা ফ্ৰকটোৰ বিষয়েও বৰ্ননা দিলে ।কথা কৈ কৈ এটা সময়ত তাই ভাগৰি পৰিল ।তাইৰ লগত কথা পাতি শিক্ষকজনেও খুব আনন্দ উপভোগ কৰিলে।

তাৰ পাছত শিক্ষকজনে তত্বচানৰ মাকক মাতি আনি ক'লে--“ কাইলৈৰ পৰা তত্বচানক বিদ্যালয়লৈ লৈ আহিবা ।আজিৰ পৰা তাই মোৰ ছাত্ৰী ।”তত্বচানৰ মাকে এটা স্বস্তিৰ নিশ্বাস এৰি জীয়েকক লৈ ঘৰলৈ গ'ল ।পাছদিনাৰে পৰাই তত্বচানৰ নতুন বিদ্যালয়ত নতুন শিক্ষক আৰু নতুন সহপাঠী সকলৰ মাজত শিক্ষা জীৱন আৰম্ভ হ'ল ।তত্বচানে আনন্দমনেৰে পঢ়াত মনোনিৱেশ কৰিবলৈ ধৰিলে ।
তত্বচানৰ মাক আৰু এই শিক্ষকজনৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলত এদিন তত্বচান এগৰাকী ভাল ছাত্ৰী হিচাপে পৰিগণিত হ'ল।

ঊষাৰাণী দেৱী,
৪ নং কুমাৰপট্টি প্ৰাঃ বিঃ, পূব শিক্ষাখণ্ড,গোলাঘাট৷

# ধাৰাবাহিক

## "বিষ্ণুপ্ৰসাদ ৰাভা

## ঢাকা প্ৰাথমিক বিদ্যালয়ৰ পৰা ৰংপুৰৰ কাৰ মাইকেল কলেজলৈ---



শুভ আবেলি । তোমালোক সকলোৰে ভালনে?
এতিয়া কি বিষয়ৰ ক্লাছ আছে মনত আছেনে?
অ' সুন্দৰ। তৰুণ তুমি ঠিকে কৈছা।
আজি শুক্ৰবাৰ। প্ৰতি শুক্ৰবাৰে আমি এই সময়ত "চিনাকি হও আহা" শিতানত একো একোগৰাকী মনিষীৰ সৈতে চিনাকি হৈ আহিছো। নহয়নে? যোৱা সপ্তাহত আমি কাৰ সৈতে চিনাকি হৈছিলোঁ?
ঠিক জাহ্নবীয়ে ঠিকেই কৈছে নহয়নে? যোৱা সপ্তাহত আমি কণকলতা বৰুৱাৰ সৈতে চিনাকি হৈছিলোঁ।।
আজি আমি এনে এজন মনিষীৰ সৈতে চিনাকি হ'ম -- যিজন লোক অসমৰ সকলো জাতি-জনগোষ্ঠী, সকলো ভাষা-ভাষী লোকৰ পৰম আদৰৰ। আমি তেওঁক নিজ চকুৰে দেখা নাই হ'লেও আমাৰ সকলোৰে পৰিচিত। তেওঁ খেতি কৰা, শ্ৰম কৰা, বনুৱা, হজুৱা, লগুৱা সকলোৰে বুকুৰ আপোন। অৱশ্যেই আনক ঠগি খোৱা সকলৰ বাবে ভয়ৰ কাৰণ। তেওঁৰ এহাতে বন্দুক আনখন হাতত কলম । যেনেদেৰ তাণ্ডৱ নৃত্যৰে ধুমুহা আনে তেনেদৰে ক্ৰিকেট-ফুটবল খেলৰ পথাৰত বিপক্ষক কঁপনি তোলে। যিজন মানুহে নিজৰ ২৫০০ বিঘা মাটি বেলেগক ভগাই দি আনন্দ লভে আৰু নিজৰ চিকিৎসাৰ ধনৰ বাবে হাঁহাকাৰ কৰিও দুখ নকৰে। তেওঁ গীতিকাৰ, অভিনেতা, বিপ্লৱী, বিধায়ক সকলো। কোন বাৰু তেও? মনত পৰিছেনে? এৰা ঠিকেই কৈছা। তেওঁ বিষ্ণুৰাভা। বিষ্ণু প্ৰসাদ ৰাভা। কলাগুৰু, বিপ্লৱী শিল্পী, সৈনিক শিল্পী, জনতাৰ হিয়াৰ আমঠু। আজি তেখেতৰ লগত চিনাকি হ'ম দেই।।
তোমালোকে চতুৰ্থ শ্ৰেণীতেই পাইছা ১৯০৯ চনৰ ৩০ জানুৱাৰী বৃহস্পতিবাৰে ঢাকা চহৰত তেওঁৰ জন্ম হৈছিল। দেউতাক গোপাল ৰাভা সামৰিক বিভাগৰ চৰ্দাৰ পৰ্যায়ৰ চাকৰিয়াল আছিল। তেওঁ ভাল চেতাৰ বজাইছিল। কীৰ্তন পুথি সুৰ লগাই পঢ়িব জানিছিল। বিষ্ণু ৰাভা আৰু তেওঁৰ ককাইদেই গোলাপ ৰাভাক দেউতাকে চেতাৰ বজাবলৈ আৰু সংগীতৰ ৰাগ শিকাইছিল। তোমালোকৰ জানি বৰ ভাল লাগিব যে- বিষ্ণুৰাভাৰ সংগীতৰ প্ৰতি থকা ৰাপ দেখি সেই সময়ৰ ঢাকা চহৰৰ শ্ৰেষ্ঠ গায়ক গহৰ জান বিবি, মোতি মিঞা আৰু ওস্তাদ কালাচান্দক সঙ্গীতৰ ঘৰুৱা শিক্ষক ৰূপে নিয়োগ কৰিছিল।তেনেদৰেই আৰম্ভ হৈছিল ৰাভাৰ সংগীত যাত্ৰা।
কি কৈছা অবিনাশ?
অ' অ' ঠিকেই বিলতে হালিছে ধুনীয়া পদুমী-তেওঁৰেই গান।।
"গৰীৰ হিয়াৰ অলেখ প্ৰদীপ জ্বালি----" হয় তুমি গোৱাটোও বিষ্ণুৰাভাৰেই গীত। গানৰ কথাবোৰ পিচলৈ আলোচনা কৰিম বাৰু।।
হ'বনে তৰুণ?
ভাল। অবিনাশ, নমিতা কিমান আচৰিত জানা – সাত বছৰ বয়সতে ঢাকা চহৰত 'ৰাজা হৰিশ্চন্দ্ৰ' নামৰ নাটকত 'ৰাজকোঁৱৰ'ৰ চৰিত্ৰত বিষ্ণুৰাভাই অভিনয় কৰিছিল।

সম্ভৱতঃ তোমালোকৰ মনত আছে বিষ্ণুৰাভাই ঢাকাৰ সেনা বাহিনীৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষা আৰম্ভ কৰিছিল বঙালী ভাষাত। প্ৰাথমিক শিক্ষা সাং কৰি উচ্চ প্ৰাথমিক শিক্ষাৰ বাবে তেওঁ আহিছিল তেজপুৰ চৰকাৰী হাইস্কুললৈ। তেজপুৰলৈ আহি কি হ'ল জানা জাহ্নৱী-- বঙালা ভাষাত প্ৰাথমিক শিক্ষা লোৱা বিষ্ণু অসমীয়া মাধ্যমত প্ৰথম বছৰ একো ভালদৰে বুজিয়েই নাপালে। ফলত প্ৰথম বছৰ পৰীক্ষাত ফেইল কৰিলে। হ'লেও বিষ্ণু হতাশ নহ'ল। বৰং তেওঁ শ্ৰেণীৰ ভিতৰতে প্ৰথম হৈ উৰ্ত্তীৰ্ণ হোৱাৰ সংকল্প লৈ পঢ়াত লাগি গ'ল।।
এই সংকল্প পুৰ কৰিবলৈ তিনিবছৰৰ দৰকাৰ হ'ল। পিচৰ বছৰ পঞ্চম শ্ৰেণীলৈ চতুৰ্থ স্থানত, ষষ্ঠ সপ্তম শ্ৰেণীত দ্বীতিয় হৈ আৰু অষ্টম শ্ৰেণীত প্ৰথম হৈ প্ৰতিজ্ঞা পুৰণ কৰিলে। কি যে মজাৰ কথা নহয়নে অবিনাশ। এনে দৃঢ়তাৰে আমিও সংকল্প লোৱা উচিত নহয় জানো?
জীৱন, সপোন, উৎপল তোমালোকৰ দৰেই বিষ্ণুৰাভাও ক্ৰিকেট আৰু ফুটবল খেলত পাকৈত আছিল। পঢ়াৰ সমানে খেলা।। আকৌ ঠিক ৰীমাৰ দৰেই সংগীত আৰু অভিনয় প্ৰিয়। দুয়োটা দিশতে আগত।। তেজপুৰ হাইস্কুলৰ বাৰ্ষিক খেল-ধেমালীত - কি যে সুৱীয়া - দৰদী কণ্ঠত গীত গাইছিল। সকলোকে মুগ্ধ কৰি ৰাখিছিল। ষষ্ঠ শ্ৰেণীত পঢ়ি থাকোতে “আলিবাবা” নামৰ নাটত ‘মৰ্জিয়ানা’ৰ চৰিত্ৰত অভিনয় কৰিছিল। ধৰিব পাৰিছানে মৰ্জিয়ানা এটা নাৰী চৰিত্ৰ।। কিমান প্ৰতিভাৰ অধিকাৰী আছিল নহয়নে?

১৯২৬ চনত বিষ্ণুৰাভাই মেট্ৰিক পাচ কৰিছিল। গান-নাট-ফুটবল-ক্ৰিকেটত ধাউতী ৰখা বিষ্ণুৰাভাই মেট্ৰিক পৰীক্ষাত দৰং জিলাৰ ভিতৰতে সৰ্বোচ্ছ নম্বৰ পাই উৰ্ত্তীৰ্ণ হৈছিল। জানা তৰুণ, ইয়াৰ বাবে তেওঁ “কুইন এমপ্ৰেছ” সোণৰ পদক পাইছিল।। এইখিনিতে তোমালোকক এটা বিশেষ ঘটনা কওঁ। কুইন এমপ্ৰেছ বটা প্ৰদানৰ দিনা বিষ্ণুৰাভাই বটা লব যোৱা নাছিল। কিয় জানা? সেইদিনা বিষ্ণুৰাভাৰ মাক গেঁঠুৰ ভীষণ বেমাৰ। নৰীয়া মাকক এৰি বটা ল'ব যাব বিচৰা নাছিল। মাকে গম পাই বিষ্ণুক বুজালে। তেতিয়াহে বটা লবলৈ গৈছিল। দেখিছানে মাকৰ প্ৰতি বিষ্ণুৰাভাৰ কিমান মৰম।। জানা, সেই সময়ত অসমত কটন কলেজক বাদ দিলে উচ্চশিক্ষাৰ অনুষ্ঠান নাছিল। সেয়ে বিষ্ণু ৰাভাই কলিকতা ৰ চেন্টপল কলেজৰ আই এচ চি শ্ৰেণীত বিজ্ঞান বিভাগত পঢ়িবলৈ লৈছিল। শুনিভাল লাগি যায় যে-- বিষ্ণুৰাভা চেন্ট পল কলেজৰ ক্ৰিকেট দলৰ অধিনায়ক নিৰ্বাচিত হৈছিল। খেল-গান-নাটৰ সমান্তৰালভাবে ১৯২৮ চনত প্ৰথম বিভাগত আই এচ চি পৰীক্ষাত উৰ্ত্তীৰ্ণ হয়। ইয়াৰ পাচত পদাৰ্থ বিজ্ঞানত অনাৰ্চ লৈ কলিকতাৰ ৰিপন কলেজত বি এচ চিত নাম লগাইছিল। ১৯২৯ চনত স্নাতক প্ৰথম বাৰ্ষিকী পৰীক্ষা সুখ্যাতিৰে উৰ্ত্তীৰ্ণ হৈছিল। জানা তৰুণ, উৎপল ইয়াৰ পাচৰ পৰাই বিষ্ণুৰাভাৰ জীৱনলৈ পৰিৱৰ্তন আহে।। চৌদিশে চলি থকা ভাৰতৰ স্বাধীনতা সংগ্ৰামে ৰাভাকো হাত বাউল দিয়ে। ৰাভা আছিল ৰিপন কলেজৰ সাধাৰণ সম্পাদক। ছাত্ৰ সমাজ জপিয়াই পৰিছিল সংগ্ৰামত। ৰাভাক পুলিচে বিচাৰিলে। পলাই গুচি আহিল কোচবিহাৰ। শিক্ষা সমাপ্তিৰ লক্ষ্যৰে নাম লগালে ভিক্টৰীয়া কলেজত। সংগ্ৰামী চেতনাৰে সমৃদ্ধ ৰাভা ভিক্টৰিয়াটো বহি থাকিব নোৱাৰিলে। ৰাজপ্ৰসাদৰ সন্মুখত আৰু ৰিজেন্ট হাটচিনচন চাহাবৰ বঙলাৰ গেটত ত্ৰিৰঙ্গ পতাকা উৰুৱাই দিলে। ৰাজভৱনৰ চৌহদৰ বেৰত লিখিলে--“ ৰাজ্যে আছে দুইটি পাঠা, একটি কালো একটি চাদা। ৰাজ্যেৰ যদি মঙ্গল চাও, দুইটি পাঠা বলি দাও।”-- হাঁহাকাৰ লাগিল। কোনে কৰিলে? প্ৰমানৰ অভাৱত ধৰা নপৰাকৈ ৰল। কিবাকে মহাবিদ্যালয়ৰ পৰীক্ষাটো দি তেজপুৰলৈ গুছি আহিল। তেজপুৰ আহি পোৱাৰ সময়তে মহাত্মা গান্ধীক গ্ৰেপ্তাৰ কৰা ঘটনাক লৈ সংগ্ৰাম চলি আছিল। বিষ্ণুৰাভাই নেতৃত্ব দিলে। ছাত্ৰ সমাজ সকলো ওলাই আহি সংগ্ৰামত অংশ ললে ।
তৰুণ, উৎপল কি হ'ল জানা ভিক্টোৰিয়া কলেজ কতৃপক্ষই এই খৱৰ ৰাখি আছিল আৰু বিষ্ণুৰাভাককলেজৰ পৰা বহিস্কাৰ কৰিলে। অৱশ্যে তেতিয়া বিষ্ণুৰাভাই চতুৰ্থ স্থান লাভ কৰি চতুৰ্থ বাৰ্ষিকলৈ প্ৰমোচন পাইছিল।।
ইয়াৰ পিচত তেও নাম ভৰ্তি কৰিছিল ৰংপুৰৰ মাইকেল কলেজত। ইংৰাজী অনাৰ্চ লৈ পঢ়া আৰম্ভ কৰিলে। ৰংপুৰ কলেজত তেওঁৰ এক অন্য প্ৰতিভাৰ কথা পোহৰলৈ আহে। তোমালোকেও জানি আচৰিত হবা-- কলেজৰ সৰস্বতী পূজাৰ বাবে প্ৰয়োজনীয় প্ৰতিমাখন বিষ্ণুৰাভাই নিজেই সাজি উলিয়াইছিল। তেওৰ ভিতৰত থকা শিল্প চেতনা প্ৰকাশিত হ'ল। আচৰিত নহয়নে? কলেজখন বিষ্ণুময় হৈ পৰিল। গীত-নাট ৰ কথাটো বেলেগেই কলেজখনৰ হকি আৰু ক্ৰিকেট দলৰো অধিনায়কত্ব লাভ কৰিলে। এনেদৰেই শিক্ষা জীৱন আগবাঢ়িলে বি এ টেষ্ট পৰীক্ষা হল। বিষ্ণু ৰাভাই সকলোৰে ভিতৰত বেছি নম্বৰ লাভ কৰিবলৈ সক্ষম হ'ল।
সেই সময়ত বংগত স্বাধীনতা সংগ্ৰামে তীব্ৰ ৰূপ পাইছিল। সংগ্ৰামী সকলে ইংৰাজৰ অস্ত্ৰ ভাণ্ডাৰৰ পৰা জোৰকৈ অস্ত্ৰ কাঢ়ি আনিছে। এই ঘটনাত বিষ্ণুৰাভাও জড়িত বুলি সন্দেহ কৰি বিষ্ণুৰ ওপৰত অত্যাচাৰ চলালে। ৰংপুৰত থকাৰ কোনো সুযোগলবাকী নৰল। প্ৰতিটো মুহূৰ্ত্ত বিপদসংকুল হৈ পৰিল। ১৯৩১ চনত ৰংপুৰ এৰিবলৈ বাধ্য হ'ল। বিএ পৰীক্ষা আৰু দিয়া নহ'ল। ৰংপুৰে বিষ্ণুৰাভাক সজালে সংগ্ৰামৰ সেনাপতি । ৰাভাৰ মনত বগাবঙাল খেদাৰ পণ।।
বাৰু আজিলৈ এৰো। অহা শুক্ৰবাৰে বিষ্ণুৰাভাৰ বৰ্ণীল জীৱনৰ আন এক জটিল সময়চোৱাৰ সৈতে চিনাকি হম।।

ৰাতুল চন্দ্ৰ গোস্বামী, প্ৰধান সম্পাদক,
অঃ ৰাঃ প্ৰাঃ শিক্ষক সন্মিলনী

# কবিতা

# আমাৰপঢ়াশালি

পঢ়াশালি,পঢ়াশালি,মৰমৰ পঢ়াশালি,
যাওঁ ব'লা লৰালৰি।
আঠ বাজি চল্লিছ হ'ল,
শাৰী পাতি থিয় হৈ-
প্ৰাতঃসভা পাতিবৰ হ'ল।
চাবধান,বিছৰাম পেৰেড কৰিম,
একমিনিট মৌন প্ৰাৰ্থনা ৰাখিম।
সকলোৱে একেলগে প্ৰাৰ্থনা গাম,
প্ৰথমতে ময়েই বাৰু আঁত ধৰি যাম।
মহোৎলোকৰ বাণী বাৰু প্ৰথমে কোনে ক'ব,
প্ৰতিদিনে একোটাকৈ নতুন নতুন হ'ব।
সাঁথৰ আৰু কুইজো হ'ব প্ৰতিদিনেই,
নিতৌ নতুন জানি আহিবা অভিভাৱকৰ পৰাই।
নেওঁতাও মুখস্থ দিবা যাৰ যি ভাগত পৰে,
যোগ-বিয়োগ,পূৰণ-হৰণ,শ্ৰেণী ভেদে ক্ৰমান্বয়ে।
সৰস্বতী শ্লোক আৰু শপত ল'বা,
ৰাষ্ট্ৰীয় সংগীত কিন্তু পাহৰি নাযাবা।
ছুটীৰ সময়ত তুমি লৰালৰি নকৰি,
বেগত ভৰাবা পেঞ্চিল-ৰবৰ,চিলট,কিতাপ আৰু বহি।
জাতীয় সংগীতৰে সামৰণি মাৰি,
এজন-এজনকৈ ওলাই যাবা ছাৰক নমস্কাৰ কৰি।
এইখন আমাৰ প্ৰাথমিক বিদ্যালয় বৰ মৰমৰ,
জীৱনৰ প্ৰথম খোজ প্ৰজ্ঞাৰ আলয়।
এলাহ নকৰি তুমি আহিবা সদায়,
উন্নতিৰ জখলা আৰম্ভ হয়এতিয়াৰ পৰাই।

মঞ্জুলা শৰ্মা বৰুৱা।
ঢেকিয়াল প্ৰাথমিক বিদ্যালয়,
জখলাবন্ধা

# সময়

সময়ক জুখিবা ভাল কামেৰে,
সময় পৰম ধন বুলি কৈছে গুণীজনে।
অনাহকত সময়ক নকৰিবা ক্ষয়,
পাখী লগা কাঁড়ৰ দৰে ই মাথো বয়।
সময়ৰ সমান কোনো নাই বলী,
নোৱাৰে কোনোৱে ইয়াক ৰাখিব ধৰি।
আজিৰ সময়খিনি কাইলৈ নাপাবা,
পোৱা সময়খিনি সেয়ে সদ্ কামত লগাবা।
সময়ৰ কাম সময়ত কৰিলে,
তাৰ সুফল সময়ে বহুগুণে দিয়ে।
এতিয়া অকণিহঁতৰ পঢ়াৰ সময়,
কেৱল শুই,বহি কটোৱাই জীৱন নহয়।
নিজ পাঠ সদায় মনপুতি পঢ়িবা,
মহৎলোকৰ জীৱনীও অধ্যয়ন কৰিবা।
নাচ-গান,খেল-ধেমালিকো নকৰিবা হেলা,
টিভি,ম'বাইল চাইয়ে সময়বোৰ নকটাবা।
পিতৃ-মাতৃ,শিক্ষাগুৰুৰ কথা সদায় শুনিবা,
তেহে সময়ৰ পৰা বঁটা লাভ কৰিবা।

ভনিতা কলিতা
সহঃ শিক্ষয়িত্ৰী
চিডলীগড় প্ৰাথমিক বিদ্যালয়

# সজ উপদেশ

মৰমৰ মইনাহঁত
শুনাচোন মনদি সজকথা কওঁ
পুৱাৰ চিকুন টোপনি ফালি
প্ৰত্যুষতে এৰিবা তোমাৰ শেতেলি
ধৰিত্ৰী আইক স্পৰ্শ সুখ দি
 সূৰ্যদেৱতাক কৰিবা মিনতি
স্নেহৰ পিতা-মাতাক জনাবা প্ৰণাম
যাৰ জহত চিনিলা এই বিনন্দীয়া পৃথিৱী
তোমাৰ সহোদৰ বুকুৰ কুটুম
সুখ-দুখ ,আপদৰ বিশ্বাসী সহচৰ
বিদ্যালয় তোমাৰ জ্ঞানৰ আলয়
ভক্তিৰ অঞ্জলি দিবা গুৰুৰ চৰণত
চাফ-চিকুনতা ,পৰিপাতিতাত ঈশ্বৰ সন্তোষ্ট হয়
পাঠ্যপুথি সযতনে ৰাখিবা পঢ়াৰ শেষত।
গা ধুবা ,কাপোৰ ধুবা ,
নখ -চুলি চুটিকৈ কাটি ৰাখিবা
খোৱাৰ আগত হাত ধুবা
মনৰ মলি আঁতৰাই ৰাখিবা
তোমাৰ বিদ্যালয় তোমাৰ গৌৰব
শিক্ষা-সৌন্দৰ্য তোমাৰ হাতত
ডাঙৰক কৰিবা মান- সন্মান,
সৰুক কৰিবা মৰম
সহপাঠী, সমনীয়া লগত মিলিজুলি থাকি
জীৱন কৰা সফল ।
তোমাৰ কৰ্মই তোমাৰ ভৱিষ্যৎ
তুমিয়েই তোমাৰ ভাগ্য নিয়ন্ত্ৰক।
'ভাল কাম কৰে যি ভাল মানুহ হয় সি'
শুনিচানে মইনাহঁত এইষাৰ কথা
পঢ়ি-শুনি তোমালোক ডাঙৰ মানুহ হোৱা।

পূৰ্ণিমা শইকীয়া
সহশিক্ষয়িত্ৰী
লক্ষ্মীনাথ বেজবৰুৱা প্ৰাথমিক বিদ্যালয়
কলিয়াবৰ ব্লক

# School

This is the place where you sent your child with no fear.
This is the place where everyone is so dear.
This is the place where law maker laid their foundation.
This is the place where knowledge is given with determination.
This the place where religion are treated equal.
This is the place where one identifies their potential.
This is the place where discipline can be learned.
This the place where living can be earned.
This is the place where discrimination can put to an end.
This is the place where evil can be defend.
This the place where peace keeping can be taught.
This is the place where one need to be bought.

Indra chetry
368 no. Gosaibari lps
7002054596




# শিশু শিতান

কবিতা

# মা আৰু মৰম

আজি মোক মৰম কৰা
অলপ মৰম কৰা,
মনটো দেখোন বেয়া লাগি আছে
বহু সময়ৰ পৰা।
কেতিয়াবা মই খেলি থাকিলেও
হঠাতে ওলোৱা আহি,
মোৰ খেলা চাই মোৰ ফালে চাই
তুমিচোন থাকা হাঁহি।
হাত বুলাই দি মোৰ কপালত
কোলাত দেখোন লোৱা,
সোনটি মোৰ বুলি মা তুমি
দুগালত চুমা খোৱা।

প্ৰিয়াঙ্সী বৰা, প্ৰথম শ্ৰেণী
2 নং কছাৰীহাট প্ৰাথমিক বিদ্যালয়,
পূব শিক্ষাখণ্ড, গোলাঘাট ।

কবিতা

# আমাৰ বিদ্যালয়

জ্ঞানমন্দিৰ আমাৰ বিদ্যালয়খন
চালে চকুৰোৱা,
আহোম ৰজাৰ বাঁহগড়ৰ কাষত
গৰ্বৰে জিলিকি থকা।
ফলে ফুলে নদন-বদন
আমাৰ বিদ্যালয়খন,
চাৰিওকাষৰ পৰিৱেশ দেখি
মন মোৰ উচাতন।
এই বিদ্যালয়তে আৰম্ভ কৰিলো
আমাৰ শিক্ষা জীৱন,
জ্ঞানৰ পোহৰেৰে উজ্জ্বলাম
আমাৰ বিদ্যালয়খন।

অভিলাক্ষী গগৈ
163 নং চেতিয়া গাঁও প্ৰাথমিক বিদ্যালয়।

কবিতা


# ফাগুন

ফাগুনৰ পছোৱাজাকে লঠঙা কৰা
গছ বনবোৰ দেখি,
অনুভৱ কৰিব নোৱাৰানে বাৰু
বাটে-ঘাটে পৰি ৰোৱা
সৰাপাতৰ কৰুণ বিননি।
শুনিবলৈ জানো নোপোৱা
তলসৰা শুকান পাতৰ
বিষাদ বিননি,
নুবুজানে,,,,,
মুখৰ সেন্দুৰীয়া ৰং সানি
বুকুত কঢ়িয়াই ফুৰা
সেই পলাশৰ কৰুণ
কাহিনী।

অচিত্ৰা চাৰুকিয়া
163 নং চেতিয়া গাঁও প্ৰাথমিক বিদ্যালয়

# চিত্রাংকন





যুগান্ত নাথ।
নিউ গুৱাহাটী আদৰ্শ শিশু বিদ্যালয়।
কামৰূপ



কংকন শৰ্মা

কালুজান নিম্ন বুনিয়াদী বিদ্যালয়
গোলাঘাট




মধুজিৎ ফুকন।

কালুজান নিম্ন বুনিয়াদী বিদ্যালয়
গোলাঘাট




খুচবু গোৱালা।
মিছা ভূএগ্রাপট্টি প্ৰাথমিক বিদ্যালয়
কলিয়াবৰ

# ফকৰা- যোজনা

**১/ ৰাইজে নখ জোকাৰিলে নৈ বয়।**

এটোপ এটোপ পানী লগ হৈয়ে নদীৰ সৃষ্টি হয় ; সেইদৰে একত্ৰিত হোৱা অজস্ৰ মানুহৰ নখৰ আগত উঠা এটোপ এটোপ পানী মিলিত হৈয়ো একোখন নদীৰ সৃষ্টি হ'ব পাৰে ; আৱশ্যক মাত্ৰ একত্ৰিত কৰাৰ৷ সেইদৰে বহুতো মানুহ এক হৈ প্ৰত্যেকেই অলপ প্ৰচেষ্টা আগবঢ়াইও একোটা মহৎ কাৰ্য সম্পাদন কৰিব পাৰে৷ এপইচা , দুপইচাকৈ ৰাইজে আগবঢ়োৱা বৰঙণিৰ দ্বাৰাই বৰ্তমান যুগত একো একোটা মহৎ শিক্ষানুষ্ঠান গঢ়ি তুলিছে। এতেকে ৰাইজৰ সন্মিলিত শক্তিয়ে জগতত বহুত মহৎ কাৰ্য সম্পাদন কৰিব পাৰে ।

**২/ যি মূলা বাঢ়ে তাৰ দুপাততে চিন।**

অংকুৰিত হোৱা মূলা পুলি এটা আগলৈ ভাল হ'বনে নহয় , তাৰ চিন সৰুতেই পোৱা যায়। যিটো মূলা পুলি ভাল হ'ব সি দুপতীয়াতে লহ্পহ্কৈ ধুনীয়াকৈ বাঢ়ি আহিব; যিটো কেৰুণীয়া হ'ব সি দুপতীয়াতে মেমেৰা হ'ব , এতেকে ভাল-বেয়াৰ চিন সৰুতেই পোৱা যায় ।এই কথা সকলো ক্ষেত্ৰতে খাটে। খেতি এডৰা লহ্পহ্কৈ বাঢ়ি আহিলে, ভৱিষ্যতে নিশ্চয় প্ৰচুৰ ফলদায়ক হ'ব। সেইদৰে যি ল'ৰা শৈশৱতেই সজ হ'ব, কামত আগৰণুৱা হ'ব আৰু তীক্ষ্ণ বুদ্ধিসম্পন্ন হ'ব। সি ভৱিষ্যতে জীৱনত সকলোতে অগ্ৰণী আৰু প্ৰতিভাৱান হ'বই।

সংগ্ৰাহক :
অভিলাষা দত্ত ।
শ্ৰেণী : চতুৰ্থ ।
লোকেশ্বৰ কাকতি প্ৰাথমিক বিদ্যালয়।
শিক্ষাখণ্ড : নাৰায়ণপুৰ

# কুইজ

১. ভাৰতৰ দীৰ্ঘতম পথ দলং কোনখন?

উত্তৰ : মহাত্মা গান্ধী সেতু।

২.সত্ৰীয়া নৃত্য' ভাৰতৰ কোন ৰাজ্যৰ সৈতে জড়িত?

উত্তৰ : অসম।

৩.ভাৰতত তৈয়াৰ কৰা প্ৰথম কৃত্ৰিম উপগ্ৰহটোৰ নাম কি?

উত্তৰ : আৰ্যভট্ট।

৪.কোনজন অসমীয়া 'কৰ্মবীৰ' নামেৰে জনজাত ?

উত্তৰ: নবীনচন্দ্ৰ বৰদলৈ

৫.প্ৰথম অসমীয়া ৰাষ্ট্ৰপতিগৰাকী কোন ?

উত্তৰ:ফকৰুদ্দিন আলি আহমেদ।

৬.অসমৰ প্ৰথম মহিলা মুখ্যমন্ত্ৰী কোন ?

উত্তৰ: চৈয়দা আনোৱাৰা টাইমুৰ

৭.শ্ৰীমন্ত শংকৰদেৱ বিৰচিত প্ৰধান পুথিখনৰ নাম কি ?

উত্তৰ:কীৰ্ত্তন

৮.অসমীয়া চুটিগল্পৰ জনক কোন ?
উত্তৰ: লক্ষ্মীনাথ বেজবৰুৱা।

৯.চীনা পৰিব্ৰাজকজনৰ নাম কি ?

উত্তৰ: হিউৱেন চাং

১০.আহোমসকলে কিমান বছৰ অসমত শাসন কৰিছিল ?

উত্তৰ:প্ৰায় ৬০০ বছৰ।

সংগ্ৰাহক
দেৱজিৎ হাজৰিকা।
১৮৫ নং কেন্দুগুৰি প্ৰাথমিক বিদ্যালয়।
বিহপুৰীয়া খণ্ড প্ৰা:শি সন্মিলনী







# বিদ্যালয়ৰ কথাৰে














লখিমপুৰ জিলাৰ অন্তৰ্গত ঢকুৱাখানা মহকুমাৰ অন্তৰ্গত ঘিলামৰাৰ মাজমজিয়াত,লখিমপুৰ ৰাজ্যিক গড়কাপ্তানি পথ সংমণ্ডল কাৰ্যালয়ৰ সমীপত ইং ১৯৬৪ চনতেই কেইজনমান হৃদয়বান,দূৰদৰ্শী উৎসাহী ব্যক্তিৰ সহযোগত "ঘিলামৰা আদৰ্শ নিম্ন বুনিয়াদী" বিদ্যালয় স্থাপিত হৈছিল। ইং 2014 চনতেই সোণালী বৰ্ষ গৰকা বিদ্যালয়খনে গৌৰৱোজ্জ্বল ইতিহাস অক্ষুণ্ণ ৰাখি বৰ্তমান এক বৃহৎ অঞ্চল সামৰি সৰ্বাধিক ছাত্ৰ-ছাত্ৰী থকা অসমৰ এখন চৰকাৰী প্ৰাথমিক বিদ্যালয় হিচাপে নিজৰ স্থিতি অটুট ৰাখিছে।

স্থাপিত কালৰেপৰা আঠজন প্ৰধান শিক্ষক,বহুজন সহকাৰী শিক্ষকে মহীয়ান কৰা বিদালয়খনত ইংৰাজী 1987 চনৰ মাৰ্চ মাহৰ পৰা সুদীৰ্ঘ সময় সহকাৰী শিক্ষয়িত্ৰী হিচাবে সেৱা আগবঢ়াই বৰ্তমান এই বিদ্যালয়ৰ নৱমগৰাকী প্ৰধান শিক্ষয়িত্ৰী হিচাবে দায়িত্বভাৰ লৈ মই কাম কৰি আছো।

বৰ্তমান বিদ্যালয়খনত প্ৰায় নশ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আছে। বিদ্যালয়খনলৈ ঘিলামৰা দেউলীয়া,বৰদৈৰাম গাওঁ পঞ্চায়তৰ অন্তৰ্গত বিভিন্ন গাৱঁৰ উপৰিও বৰদলনি,গোসাঁই চাপৰি,কাঁহিকুচি, লগুৱাবড়া,বাটমাৰী,ধেনুখনা,ঘাৰমৰা,শিঙিয়া,মূৰ্ত্তীয়া আদিৰপৰা প্ৰায় বিশ-পঁচিশ কিলোমিটাৰ দূৰ অতিক্ৰম কৰি ছাত্ৰ-ছাত্ৰী সকলে পঢ়িবলৈ আহে। ছাত্ৰ-ছাত্ৰী সকলৰ যাতায়তৰ বাবে অভিভাৱকে গাড়ী-মটৰৰ ব্যৱস্থা নিজেই কৰি লৈছে।

বিদ্যালয়খনত এটি সৰু শিশু পুথিভঁৰালৰ ব্যৱস্থা আছে। কিন্তু শ্ৰেণীকোঠাৰ অভাৱত বৰ্তমান পুথিভঁৰালটি শ্ৰেণীকোঠা হিচাবে ব্যৱহাৰ কৰিব লগা হৈছে। পুথিভঁৰালত প্ৰায় সাতশ খন মান পুথি মজুত আছে।

ইং ১৯৬৪ চনৰপৰা প্ৰতি বছৰে নিম্ন বুনিয়াদী বৃত্তি লাভ কৰি ছাত্ৰ-ছাত্ৰীসকলে এই বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে। এই বিদ্যালয়ৰ পৰা অৱতীৰ্ণ ছাত্ৰ-ছাত্ৰী ১০০ শতাংশই মুখ্যমন্ত্ৰীৰ মুকলি বৃত্তিও লাভ কৰিবলৈ সক্ষম হৈছে। এই বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ বৰ্তমান আমেৰিকাত কৰ্মৰত শ্ৰী ৰিতুপন বড়াই "হেমধৰ ক্ষীৰদা সোৱঁৰণি" বৃত্তি প্ৰতিবছৰৰ প্ৰতিশ্ৰেণীৰ বৰ্ষান্ত মূল্যায়নৰ প্ৰথম আৰু দ্বীতিয় স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰী সকলক দিয়াৰ ব্যৱস্থা কৰি ছাত্ৰ-ছাত্ৰী সকলক অণুপ্ৰাণিত কৰিছে। ইয়াৰ উপৰিও এখনি আটক ধুনীয়া তোৰণ দি বিদ্যালয়ৰ সৌষ্ঠৱ বৃদ্ধি কৰাত সহায় কৰিছে ।

বিদ্যালয়ত চৰকাৰী নীতি নিৰ্দেশনা অনুসৰি মধ্যাহ্ন ভোজন খুওৱা হয়। মধ্যাহ্ন ভোজনৰ ৰান্ধনী সাত গৰাকী। ৰন্ধন গৃহ ৰাইজৰ অনুদানেৰে নিৰ্মিত কৰি লোৱা হৈছে যদিও বৰ্তমান ঘৰটো জৰাজীৰ্ণ হৈছে,তাৰোপৰি ভোজনালয় নোহোৱাত কণকণ ছাত্ৰ-ছাত্ৰীসকলে দুৰ্ভোগ ভূগিব লগীয়া হৈছে।বিদ্যালয় খনত এটা স্বাস্থ্য সন্মত ভোজনালয়ৰ অভাৱ আমি বাৰুকৈয়ে অনুভৱ কৰিছো।

বিদ্যালয় খনত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে বিদ্যালয় গৃহৰ অভাৱ ঘটিছে। পাৰ্টিচন বিহীনভাৱে শিক্ষকে পাঠদান কৰিবলগা হৈছে। গৃহবোৰ পুৰণি হোৱাত মেৰামতিৰ প্ৰয়োজন আহি পৰিছে। বিদ্যালয়খনে উন্নতমানৰ শ্ৰেণীকোঠা পোৱা হ'লে শিক্ষাৰ ক্ষেত্ৰত নিশ্চয় আৰু আগবাঢ়িব পাৰিলেহেঁতেন। বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষক শিক্ষয়িত্ৰীৰ অভাৱ হোৱাত পাঠদান দিবলৈ যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে।
বিদ্যালয়খনত বিভিন্ন সময়ত বিভিন্ন দিৱস চৰকাৰী নিৰ্দেশ অনুসৰি উদযাপন কৰা হয়। সৰস্বতী পূজা,শিশু দিৱসৰ লগত সংগতি ৰাখি তিনিদিনীয়া বাৰ্ষিক অধিৱেশন বিদ্যালয়খনত প্ৰতিবছৰে অনুষ্ঠিত কৰা হয়।
'অভিভাৱক সন্মিলন' অনুষ্ঠিত কৰি অভিভাৱকৰ মতামতক শ্ৰদ্ধাৰে গ্ৰহণ কৰা হয়।ৰাজহুৱাভাৱে পালন কৰা স্বাধীনতা দিৱস , গণতন্ত্ৰ দিৱস আদিত মাৰ্চপাৰ্টচ নৃত্য,গীত,খেল চিত্ৰাংকন আদি প্ৰতিযোগিতাত অংশ লৈ এই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পুৰস্কাৰ বুটলিবলৈ প্ৰতি বছৰে সক্ষম হৈ আহিছে। বৰ্তমান বিদ্যালয়খনৰ পৰা চাৰিজন শিক্ষক- শিক্ষয়িত্ৰীলৈ জিলা ভিত্তিত আৰু এগৰাকীয়ে ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা লাভ কৰিছে। ৰাজ্যিক,জিলা তথা বৰদলনি শিক্ষাখণ্ডৰ অন্তৰ্গত অনুষ্ঠিত বিভিন্ন চৰকাৰী অনুষ্ঠানত এই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশলৈ বঁটা পাবলৈ সক্ষম হৈ আহিছে।লগতে চৰকাৰে অনুষ্ঠিত কৰা গুণোৎসৱৰ প্ৰতি বাৰতে A+ গ্ৰেড পাবলৈ সক্ষম হৈছে। এই বিদ্যালয়ে গঢ় দিয়া ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন স্থানত বিভিন্ন পদবীত থাকি দেশৰ সেৱা আগবঢ়াই সুনাগৰিক হিচাবে সমাজৰ একোজন গুৰুত্বপুৰ্ণ ব্যক্তি হৈ আমাৰ লগতে এই বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে।

চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ সংকটৰ সময়ত মূৰ তুলি থিয় হৈ থকা ৰাইজৰ আশীষপুষ্ট এই ঘিলামৰা আদৰ্শ নিম্ন বুনিয়াদী বিদ্যালয় খনৰ প্ৰধান শিক্ষয়িত্ৰীৰ দায়িত্বভাৰ পাই মই নিজকে ধন্য মানিছো। সহকৰ্মীসকলৰ সহযোগিতা,প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ মৰম আৰু ৰাইজৰ আশীৰ্বাদ এনেদৰে পাই থাকিলে বিদ্যালয়খন আৰু আগুৱাই নিয়াত আমি ফলপ্ৰসূ হ'ম বুলি আশাবাদী।

**প্ৰধান শিক্ষয়িত্ৰী মেজৰ পৰা-**

**অঞ্জনা কোঁচ, প্ৰঃ শিঃ,**

**ঘিলামৰা আদৰ্শ নিম্ন বুনিয়াদী বিদ্যালয়**


# শিক্ষকৰ কথাৰে






শিক্ষাৰ্থীৰ সামগ্ৰীক উন্নয়ন শক্তিশালী কৰা শিক্ষক হিচাপে Knowledge Innovation Technology Entrepreneurship Sportmanship ৰ শিক্ষা অভিযান সফলভাৱে ৰূপায়ণ কৰা তথা শিক্ষাৰ্থীসকলৰ উন্নয়নৰ আৰু অন্যান্য educator ক INNOVATIVE শিক্ষাৰ যাত্ৰাত অগ্ৰণী ভূমিকাৰ বাবে ১১ খন দেশ জুৰি বিস্তাৰিত হৈ থকা K.I.T.E.S EDUCATION ৰ তৰফৰ পৰা আন্তৰ্জাতিক সন্মিলনত ভাৰ্চুৱেলভাৱে যোৰহাট জিলাৰ যোৰহাট শিক্ষা খণ্ডৰ মৌবন্ধা বাগান প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক প্ৰদীপ শৰ্মা ভৰালীক ২০২১ বৰ্ষৰ INNOVATIVE EDUCATOR AWARD প্ৰদান কৰা হয় । উল্লেখযোগ্য তেওঁ ২০২০ বৰ্ষৰ INNOVATIVE শিক্ষাৰ বাবে ৰাজস্থান ফাউণ্ডেচন আৰু থৰ সৰ্বোদয় সংস্থাৰ দ্বাৰা নৱম বাৰ্ষিক PRINCIPALS & TEACHER AWARD লাভ কৰিছিল । ২০২২ বৰ্ষৰ বাবে AUROBINDO SOCIETY ৰ দ্বাৰাও INNOVATIVE কৰ্মৰ বাবে প্ৰশংসা পত্ৰ লাভ কৰে ।

# শিক্ষকৰ কথাৰে



ALL INDIA CHESS FEDERATION
(Regd. No. 125/1958)
101, First Floor, A Block, Naurang House , 21 KG Marg, New Delhi-110001

CERTIFICATE

AICF AICF AICF AICF AICF AICF AICF AICF

THIS IS TO CERTIFY THAT,

MR. / MS. KISHOR KUMAR DEKA

OF ASSAM

ATTENDED THE CHESS FOR EVERYONE - NATIONAL ARBITER SEMINAR &

SUCCESSFULLY CLEARED THE EXAMINATION HELD THROUGH ONLINE

ON 30TH JANUARY 2022.

HE/SHE HAS BEEN PASSED THE EXAMINATION AND

AWARDED THE TITLE OF **"SENIOR NATIONAL ARBITER OF CHESS"**.

ISSUED THIS FIFTH DAY OF FEBRUARY 2022.

IA, FI, DHARMENDRA KUMAR
CHAIRMAN
AICF ARBITERS COMMISSION

BHARAT SINGH CHAUHAN
HONY SECRETARY
ALL INDIA CHESS FEDERATION

নলবাৰী জিলাৰ পূব নলবাৰী শিক্ষাখণ্ডৰ অন্তৰ্গত 920 নং নন্দগাঁও প্ৰাথমিক বিদ্যালয়ত কৰ্মৰত শিক্ষক তথা নলবাৰী মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৰাজ্যিক সদস্য শ্ৰী কিশোৰ কুমাৰ ডেকা এজন আন্তঃৰাষ্ট্ৰীয় ফিডে ৰেটিং প্ৰাপ্ত দবা খেলুৱৈ । তেওঁ 30 জানুৱাৰী,2022 ত অনুষ্ঠিত হোৱা সৰ্বভাৰতীয় দবা সংঘৰ(ALL INDIA CHESS FEDERATION) দ্বাৰা অনুষ্ঠিত হোৱা পৰীক্ষাত উত্তীৰ্ণ হৈ "Senior National Arbiter of Chess",খিতাপ লাভ কৰি বিদ্যালয়ৰ লগতে মহকুমা সন্মিলনীলৈ গৌৰৱ কঢ়িয়াই আনে।

# শিক্ষকৰ কথাৰে







## ৰাষ্ট্ৰীয় শক্তি উত্তোলনত প্ৰাথমিক শিক্ষকৰ সফলতা

গোলাঘাট জিলাৰ দক্ষিণ শিক্ষা খণ্ডৰ অন্তৰ্গত ১৬ নং টেঙানী দিমলী প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক শ্ৰী প্ৰাঞ্জল প্ৰতীম শৰ্মাই শেহতীয়াকৈ ২০২২ চনৰ ৫ এপ্ৰিল ৰ পৰা ৮ এপ্ৰিল তাৰিখলৈকে মহাৰাষ্ট্ৰৰ নাগপুৰত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় শক্তি উত্তোলন প্ৰতিযোগিতা খনিত অংশগ্ৰহণ কৰি শৰ্মাই ৫৯ কেজি পুৰুষৰ উচ্চ শাখাৰ ৰূপৰ পদক আৰু একে লগতে অনুষ্ঠিত হোৱা Open Bench Press ৰ ৫৯ কেজি senior পুৰুষ শাখাত ব্ৰঞ্জৰ পদক বুটলি প্ৰাথমিক শিক্ষক সমাজৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াবলৈ সক্ষম হৈছে । শৰ্মাই ২০১৬ চনৰ পৰাই সদৌ অসম শক্তি উত্তোলন সন্থাৰ সম্পাদক শ্ৰীযুত অজয় চেতিয়া,ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰশিক্ষক শ্ৰীযুত শান্তনু গগৈ আৰু শ্ৰীযুত পৱিত্ৰ বুঢ়াগোহাঁইৰ তত্ত্বাৱধানত থাকি অনুশীলন কৰি ৰাজ্যিক পৰ্যায়ৰ এটা সোণ আৰু ৩টা ৰূপৰ পদক বুটলিবলৈ সক্ষম হৈছে। তেওঁ এই সফলতাৰ বাবে ক্ৰীড়া জগতত সদায় উৎসাহ,উদ্দীপনা আৰু মৰম যুগুটোৱা সকলোলৈকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

# বা-বাতৰি



India Book of Records
Extraordinary feats... Extraordinary people

CERTIFICATE

MAXIMUM TEACHING VIDEOS PREMIERED ON A YOUTUBE CHANNEL AT THE SAME TIME

The record for premiering the maximum number of teaching videos at the same time was set by Sirkhat Hussain (born on February 26, 1976) of Abhayapuri, Assam, creator of YouTube channel 'Knowledge Hub'. On June 20, 2021, at 10 am, total 221 teaching videos were premiered in 'Knowledge Hub' by 221 teachers in collaboration with Assam State Primary Teachers' Association as confirmed on December 23, 2021.

Date: January 14, 2022

Dr. Biswaroop Roy Chowdhury
Chief Editor
India Book of Records

মহামাৰী কৰোনাৰ বাবে সৰ্বস্তৰৰ বিদ্যালয়সমুহ বন্ধ থকাৰ পৰিপ্ৰেক্ষিতত প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰছাত্ৰী সকলক সহায়ৰ হাত আগবঢ়োৱাৰ লক্ষ্যৰে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে পাঠদানৰ ভিডিঅ প্ৰস্তুতকৰণ প্ৰতিযোগিতা এটি আয়োজন কৰে। প্ৰায় ২২১ জন শিক্ষকে পাঠদানৰ ভিডিঅ' প্ৰস্তুত কৰি পঠায় আৰু সেই ভিডিঅসমুহ knowledge hub নামৰ ইউটিউব চেনেলটিত প্ৰচাৰ কৰা হয়। একে সময়তে ২২১ টা পাঠদানৰ ভিডিঅ প্ৰিমিয়াৰ কৰা এই কাৰ্যক “India Books of Records” লৈ পঠিওৱাত IBR কৰ্তৃপক্ষই স্বীকৃতি দিয়ে। সন্মিলনীয়ে ডিজিটেল কোষৰ দ্বাৰা অন্য শৈক্ষিক কামো তথ্য প্ৰযুক্তিৰ সহায়ত কৰি যাব বুলি বিষয়ববীয়া সকলে জনায়।

# বা-বাতৰি




**২০২২-২০২৪ কাৰ্যকালৰ নৱনিৰ্বাচিত বিষয়ববীয়া**




**২০২২-২০২৪ কাৰ্যকালৰ বিষয়ববীয়াৰ শপত গ্ৰহণ**

# বা-বাতৰি




অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৪৩ সংখ্যক বঙাইগাওঁ অধিৱেশনৰ মুকলি সভাত শিশুশ্ৰম বন্ধ কৰাৰ সংকল্প গ্ৰহণৰ পাচত পোষ্টাৰ মুকলি কৰা হয় । ইয়াৰ জৰিয়তে আমি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলে শিশু শ্ৰমৰ ফলত ছাত্ৰছাত্ৰীসকলক মূল সুঁতিলৈ ঘূৰাই অনাৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ বাবে জিলা,মহকুমা,খণ্ড আৰু বিশেষভাৱে কেন্দ্ৰ প্ৰাথমিক শিক্ষক সন্মিলনীলৈ ৰাজ্যিক সন্মিলনীৰ তৰফৰ পৰা আহ্বান জনোৱা হৈছে । আহক এই শিশুসকলৰ "পুনঃ বিদ্যালয়মূখী যাত্ৰা"ত আমি সাৰথি হওঁ ।



অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৪৩ সংখ্যক বঙাইগাও অধিৱেশনৰ মুকলি সভাত শিশুশ্ৰম বন্ধ কৰাৰ সংকল্প গ্ৰহণৰ পাচত পোষ্টাৰ মুকলি কৰা মুহূৰ্তত।




# TLM ভিডিঅ প্ৰস্তুতকৰণ প্ৰতিযোগিতাঃ-

প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ পাঠগ্ৰহণ সহজ-সৰল আৰু মনোগ্ৰাহী কৰাৰ লক্ষ্যৰে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে শিক্ষণ-শিকণ সামগ্ৰী (TLM) ভিডিঅ’ প্ৰস্তুতকৰণৰ এক প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই সন্দৰ্ভত সভাপতি অখিল চন্দ্ৰ নাথ আৰু প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীয়ে কয় যে, শিশুসকলক কাগজ বা অন্যান্য সামগ্ৰীৰে বনাই দিয়া শিকণ সামগ্ৰী সমুহৰ স্থায়ীত্বও চিৰদিনীয়া নহয়। আনহাতে পূৰ্বে অসম সৰ্বশিক্ষা অভিযান মিছনে TLM প্ৰস্তুতৰ বাবে দিয়া আৰ্থিক সকাহ প্ৰদান কৰিছিল যদিও ভালেকেইবছৰ ধৰি এই অনুদান প্ৰদান প্ৰক্ৰিয়া বন্ধ হৈ পৰিছে।

ফলত বিদ্যালয়সমুহত TLM ৰ পৰিমাণো কমিব ধৰিছে। ইতিমধ্যে ২০২২-২৩ শিক্ষাবৰ্ষ আৰম্ভ হৈছে। বিশ্বজোৰা মহামাৰীৰ ফলত শিশুসকলৰ শৈক্ষিক ক্ষতি পৰিলক্ষিত হৈছে। আমি জানো যে আনন্দদায়ক পাঠদানে শিশুসকলৰ বাবে মনোগ্ৰাহী কৰি তুলিব পাৰি। বৰ্তমানে বিজ্ঞান আৰু প্ৰযুক্তিৰ ব্যাপক ৰূপান্তৰে একোটা কাম বাৰে বাৰে নকৰাকৈ শিক্ষণ-শিকন সামগ্ৰীসমুহ সংৰক্ষণৰ মাজেৰে বিদ্যালয়সমুহত আদান প্ৰদানৰো সুবিধা সৃষ্টি হৈছে। সেয়ে শিক্ষণ-শিকন সামগ্ৰী পৰ্যাপ্ত পৰিমাণে একত্ৰিত কৰি শিক্ষাদান প্ৰক্ৰিয়াত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে ছাত্ৰছাত্ৰী সকললৈ সকাহ দিব পাৰি সেই লক্ষ্যৰে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ ডিজিটেল কোষৰ তত্ত্বাৱধানত অনলাইন শিক্ষণ-শিকন সামগ্ৰী(TLM) ৰ ভিডিঅ প্ৰস্তুতকৰণ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাৰ নিয়মাৱলীঃ-

ঃঃ প্ৰাথমিক বিদ্যালয়ত কৰ্মৰত সকলো নিয়মীয়া, ঠিকাভিত্তিক সকলো পৰ্যায়ৰ শিক্ষকে অংশগ্ৰহণ কৰিব পাৰিব।

ঃঃ প্ৰতিযোগিতাত অংশ ল'বৰ বাবে ৭০০২৮৬৭২৪০, ৯৮৫৯৬৯৩৩৫৫ আৰু ৭০০২৪৩৩৯৬৪ যিকোনো হুৱাটচ এপ নম্বৰত নিজৰ বিদ্যালয়ৰ নাম , খণ্ড, জিলাৰ নামসহ ঠিকনা প্ৰেৰণ কৰিব।(Telegram App Number:- 7002867240)

ঃঃ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰছাত্ৰীৰ উপযোগীকৈ শিক্ষকসকলে শিক্ষণ-শিকন সামগ্ৰী (TLM) প্ৰস্তুত কৰিব।

ঃঃ পাঠ্যপুথিৰ অন্তৰ্গত বিষয়বস্তু ভিত্তিত TLM সাজি উলিয়াব।

ঃঃ শিক্ষণ-শিকন সামগ্ৰী (TLM) প্ৰস্তুত কৰা ভিডিঅ নাইবা প্ৰস্তুতকৰা TLM টোৰ বিৱৰণ দি ভিডিঅটো তিনি মিনিটৰ ভিতৰত হ'ব লাগিব। কোনটো পাঠৰ কোনটো বিষয়বস্তুৰ TLM তাক স্পষ্টকৈ ভিডিঅটোত উল্লেখ কৰিব।

ঃঃ প্ৰেৰিত ভিডিঅ'ৰ size ১৬×৯ মতে বাণীবদ্ধ কৰিহে পঠাব।

ঃঃ ভিডিঅসমুহত যদি কৰা হয় license free background music হে সংলগ্ন কৰিব পাৰিব।

ঃঃ প্ৰতিযোগিতালৈ ভিডিঅ' প্ৰেৰণৰ শেষ তাৰিখঃ- ২০ মে' ২০২২।

ঃঃ সকলো শিক্ষণ-শিকন সামগ্ৰী (TLM) প্ৰস্তুতৰ ভিডিঅ' সন্মিলনীৰ নিজা Youtube চেনেল "Edupath ASPTA" ত বিশ জুন তাৰিখে একে সময়তে আপলোড কৰা হ'ব।

ঃঃ পৰৱৰ্তী আগষ্ট মাহৰ ভিতৰত ভিউৱাৰ্চৰ সংখ্যা আৰু মানদণ্ড বিচাৰ কৰি সন্মানীয় বিচাৰকৰ সিদ্ধান্তৰে ফলাফল ঘোষণা কৰা হ'ব।

ঃঃ শীৰ্ষ তিনি গৰাকীক ক্ৰমে ৩০০০, ২৫০০, আৰু ২০০০ টকা, বঁটা আৰু মানপত্ৰ প্ৰদান কৰা হ'ব। আৰু সাতগৰাকীক মানপত্ৰ সহ এহেজাৰ টকাকৈ পুৰষ্কিত কৰা হ'ব। লগতে প্ৰতিগৰাকী অংশগ্ৰহণকাৰী শিক্ষক-শিক্ষয়িত্ৰীলৈ মানপত্ৰ প্ৰদান কৰা হ'ব।

বা-বাতৰি

**Report on Survey**
**Under AIPTF/AEU/ EI / EFAIDS Project 2021,**









EFAIDS প্ৰকল্প-২১

অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সংঘ(AIPTF), আন্তৰাষ্ট্ৰীয় শিক্ষক সংঘ(EI), অষ্ট্ৰেলিয়া ইডুকেচন ইউনিয়ন (AEU) প্ৰত্যক্ষ সহযোগত EFAIDS projectৰ অধীনত বিদ্যালয় বহিৰ্ভূত শিশু আৰু ড্ৰপ আউট শিক্ষাৰ্থী চিনাক্ত কৰণ কৰি বিদ্যালয়ত ভৰ্তি কৰাৰ বাবে অসম ৰাজ্যিৰ প্ৰাথমিক শিক্ষক সন্মিলনীয়ে কাম আৰম্ভ কৰিছে।

২০১৮ বৰ্ষত, AIPTF য়ে অসমক প্ৰদেশক EFAIDS কৰ্মসূচীৰ বাবে নিৰ্বাচন কৰিছিল। ২০১৯-২০ বৰ্ষত কাম আৰম্ভ কৰাৰ লক্ষ্যৰে ৰাজ্যখনৰ দুখন জিলা নিৰ্বাচন কৰা হৈছিল। জিলা দুখন ক্ৰমে গোৱালপাৰা। গোৱালপাৰা জিলাক সৰ্বাধিক “বিদ্যালয় বহিৰ্ভুত শিশু” থকা জিলা আৰু তিনিচুকীয়া জিলা আৰু কমৰূপ মহানগৰ জিলা দুখনত সৰ্বাধিক "এইডছ" আক্ৰান্ত জিলা হিচাপে নিৰ্বাচিত কৰে। সেয়ে এই বিষয়সমুহত সজাগতা বৃদ্ধিৰ বাবে এই জিলাকেইখনত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰে। EFAIDS প্ৰকল্পৰ অন্তৰ্ভুক্ত বৰ্তমানলৈ সম্পন্ন কাৰ্যক্ৰমণিকা তলত দিয়া হ’ল। এই প্ৰকল্পৰ প্ৰগ্ৰেমসমুহত প্ৰধান সম্পাদক ৰাতুল গোস্বামী ডাঙৰীয়া সমল ব্যক্তি হিচাপে উপস্থিত থাকে।

**ALL INDIA PRIMARY TEACHERS' FEDERATION**
**AEU / EI/ AIPTF/EFAIDS PROJECT**

Schedule of Activities for the Year 2021-2022

| S. No. | Strategy | Name of Activity | Date | Block | Participants | | | Person Responsible for Activity |
|---|---|---|---|---|---|---|---|---|
| | | | | | M | F | T | |
| 1 | To understood the Project | State level Orentation Meeting | 24-10-2021 | Guwahati | 13 | 7 | 20 | Ratul Ch.Goswami |
| 2. | To Aware the Community | Sensitization/ Awar ness Meetingg | 03-11-2021 | Rani | 30 | 20 | 50 | Kamal Ch.Goswami |
| | | | 06-11-2021 | Dimoria | 30 | 20 | 50 | Parameswar Das |
| | | | 07-11-2021 | Rampur | 30 | 20 | 50 | Gitu Moni Das |
| 3 | To Trained the Surveryors | District level Traning of Surveryors | 25-10-2021 | Rani | 15 | 15 | 30 | Pradip Kalita |
| 4 | To Identify the out of School Children | Survey | 10th Nov to 31st December2021 | Rani, Rampur,Dimoria | - | - | - | Ratul Ch. Goswami |
| 5 | For Campaign | Printing Campaign Material | 15-10-2021 | - | - | - | - | Ratul Ch. Goswami |
| 6 | For Awarness | Rallies on World Aids day | 01-12-2021 | Rani,Rampur, Dimoria | 503 | 5013 | 100x3 | Kamal Ch.Goswami,Gitu Moni Das, Parmeswar Das |
| 7 | To Aware the Pupils | Street Play | 30-11-2021 | Rani | - | - | - | Bipul Kr. Daksia |
| | | | 02-12-2021<br>03-12-2021 | Rampur<br>Dimoria | - | - | - | Bipul Kr. Daksia |
| 8 | To encourage to OSC | Incentive to Girls who are enroled | Time to Time up to 31-01-2022 | Rani,Rampur, Dimoria | - | - | - | Ratul Ch. Goswami |

Ratul Ch. Goswami
Gen. Secretary
Assam State Primary Teachers Association

# প্ৰাপ্য বিচাৰি ৰাজপথত শিক্ষক




২৪ এপ্ৰিল ২০২২ তাৰিখে ঠিকাভিত্তিক টেট উত্তীৰ্ণ শিক্ষকসকলে মৰগীয়া বানচকে ধৰি বিভিন্ন দাবীৰে গুৱাহাটীৰ সৰ্বশিক্ষা মিছন কাৰ্যালয় ঘেৰাও ধৰ্ণা কাৰ্যসূচীৰ সমৰ্থন বিচাৰি চিঠি লাভ কৰাৰ পাচত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে নৈতিক সমৰ্থন আগবঢ়োৱাৰ লগতে সভাপতি সম্পাদককে ধৰি বিষয়ববীয়াৰ এটি দল উপস্থিত থাকে।

# বা-বাতৰি

## আন্তৰ্জাতিক নাৰী দিৱসৰ শুভ ক্ষণত



## প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত নাৰী দিৱস উদযাপন।

## বহনক্ষম ভৱিষ্যতৰ বাবেই আজিৰ লিঙ্গ সমতা ।

(Gender equality today for a sustainable tomorrow)

নাজিৰা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ মহিলা কোষৰ তত্বাৱধানত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ মহিলা কোষৰ উদ্যোগত ৮মাৰ্চ ২০২২তাৰিখে নাজিৰা নাট্য মন্দিৰত দুদিনীয়া কাৰ্যসূচীৰে কেন্দ্ৰীয় ভাবে আৰ্ন্তজাতিক নাৰী দিৱস উদযাপন কৰা হয় । অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ মহিলা কোষৰ সভানেত্ৰী নিলাক্ষী গগৈৰ সভাপতিত্বত অনুস্থিত হোৱা মুকলি সভাত বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে নাজিৰা বিধান সভাৰ সমষ্টিৰ বিধায়ক দেৱব্ৰত শইকীয়া, প্ৰাক্তন অধ্যাপিকা ড° নিৰুপমা মহন্ত,জিলা প্ৰাথমিক শিক্ষা বিষয়া কমল গগৈ, খণ্ড প্ৰাথমিক শিক্ষা বিষয়া দেৱজ্যোতি গগৈ আৰু প্ৰণৱ গগৈকে মূখ্য কৰি ভালে সংখ্যক বিশিষ্ট ব্যক্তি ।অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি অখিল চন্দ্ৰ নাথ আৰু প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামী উপস্থিত থকা মুকলি সভাতে ড° নিৰুপমা মহন্তক (সু-মাতৃ ) অৱস্তিত পায়েগাম চেতীয়া ( অনাতাঁৰ শিল্পী) আৰু হেম প্ৰভা চেতীয়া ( অসম গৌৰৱ শিল্পী) হিচাবে সম্বৰ্দ্ধনা জনোৱা হয় । উক্ত অনুষ্ঠানতে কালন্তী ৰাজপুত, কুমলিকা নায়ক, অঞ্জলী তাঁতি এই তিনি গৰাকী বিদ্যালয় বহিৰ্ভূত শিশুক বিদ্যালয়ত নামভৰ্ত্তি কৰাই প্ৰয়োজনীয় সামগ্ৰী প্ৰদান কৰা হয় । সাত মাৰ্চৰ সন্ধিয়া ৰাজ্যখনৰ বিভিন্ন মহকুমাৰ পৰা সমাবেত হোৱা দুই শতাধিক শিক্ষয়িত্ৰী সকলৰ মাজত বিয়ানাম,উৰুলি, নিচুকনি গীত আদি ভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। অনুষ্ঠানৰ লগত সংগতিৰাখি মহিলা কোষৰ মুখপত্ৰ শক্তি আৰি আদৰণি সমিতিৰ স্মৃতিগ্ৰন্থ অনন্যও প্ৰকাশ উন্মোচন কৰা হয়।





**প্ৰাথমিক শিক্ষক সন্মিলনীয়ে নাম ভৰ্ত্তি কৰালে ১৪ জন বিদ্যালয় বহিৰ্ভূত শিশু। চিনাক্ত হোৱা শতাধিক শিশুকো ভৰ্ত্তি কৰাব পৰ্যায়ক্ৰমে।**

অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত ১৪ গৰাকী বিদ্যালয় বহিৰ্ভূত শিশুক যোৱা ৩১ মাৰ্চ তাৰিখে কামৰূপ মহানগৰ জিলাৰ হাতখোৱাপাৰা প্ৰাথমিক বিদ্যালয়ত নাম ভৰ্তি কৰায় । অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সংঘৰ তত্বাৱধানত “ইফাএইডচ প্ৰজেক্ট” ৰ অধীনত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে ২০২১ চনৰ অক্তোৱৰ মাহৰ পৰা গুৱাহাটী মহকুমাৰ অন্তৰ্গত ৰাণী, ৰামপুৰ, আৰু ডিমৰীয়া শিক্ষাখণ্ডৰ এলেকাত বিদ্যালয় বহিৰ্ভূত শিশু চিনাক্ত কৰাৰ বাবে এক জৰীপ চলাইছিল । তিনিওটা শিক্ষাখণ্ডৰ ৩২২৬ টা পৰিয়ালত চলোৱা জৰীপত ৬ ৰ পৰা ১৪ বছৰৰ মুঠ ৩৩২৯ গৰাকী শিশুৰ ভিতৰত ১১১ গৰাকী বিদ্যালয় বহিৰ্ভূত আৰু দ্ৰপ আউট শিশু চিনাক্ত হৈছিল ।

চিনাক্ত হোৱা শিশু সকলক বিদ্যালয়ত নামভৰ্তি কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। সন্মিলনীৰ সভাপতি অখিল চন্দ্ৰ নাথ আৰু প্ৰধান সম্পাদক ৰাতুল গোস্বামীয়ে এক বিবৃতি যোগে জনাই যে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০ ৰ লক্ষ্য পুৰণৰ বাবে অসমৰ ৭৮ হাজাৰ বিদ্যালয় বহিৰ্ভূত শিশুক বিদ্যালয় মুখী কৰাৰ বাবে সন্মিলনীয়ে আগত দুটা বৰ্ষ যৎপৰোনাস্তি প্ৰয়াস অব্যাহত ৰাখিব । উল্লেখ যে যোৱা আঠ মাৰ্চত নাজিৰাত কেন্দ্ৰীয়ভাবে পালন কৰা নাৰী দিৱসৰ সৈতে সংগতি ৰাখিও কালন্তী ৰাজপুত, কুমলিকা নায়ক আৰু অঞ্জলী তাঁতী নামৰ তিনিগৰাকী বিদ্যালয় বহিৰ্ভূত শিশুক নাম ভৰ্ত্তী কৰোৱাই স্কুল বিদ্যালয়লৈ যাবৰ বাবে প্ৰয়োজনীয় সামগ্ৰী প্ৰদান কৰিছিল। অৱশ্যে এওলোক জৰীপৰ অন্তৰ্গত নাছিল। আজি সকলো শিশুক স্কুলবেগ, কিতাপ,বহী, কাগজ, পেঞ্চিল, ৰবৰ, আদি সামগ্ৰী প্ৰদান কৰে।।

# Report on Survey

# Under AIPTF/AEU/ EI / EFAIDS Project 2021, ASSAM

The Assam State Primary teachers Association is highly pleased and feel honoured to get the opportunity of becoming an active organization in conducting the EFAIDS Project with the collaboration of AIPTF/AEU/ EI. The EFAIDS Project was conducted in the three ( 3) educational blocks namely Dimoria,Rani and Rampur of Kamrup district. The programme started with a state level orientation meeting on 24 th Oct. 2021. The imadiet next day of the orientation meeting District level Training of surveryors among the selected teacher surveyors of the concern block. The Program was well planned and scheduled timely with a view to create awareness amongst the society members. In all the selected block arrange awarness meeting with gurdain, and public of locality and as such Street play on AIDS awareness along with procession was held in several places. The Survey was successful and a total of 3226 households were visited in the respective blocks,such as 1)Rampur block: 1190 houses,2) Rani block: 1153 houses ,3) 883 houses. The number of school going children from 6 to below 14 years of age were :Rampur block: Boys:....646...Girls.. 613....,Rani block: Boys: 660 ...Girls..619,Dimoria block: Boys..423 ..Girls..368. The number of Out School Children (OSC)identified was around 14 students out of which Boys :6....Girls....:8.... in the respective three blocks. In the survey no case of HIV/ AIDS were found .

**The major risks identified:**

a)The students are mostly first generation learners.

b) poverty and c) many number of siblings in the households.

The Counsel was able to enroll such OSC in schools.

The list of OSC found in the three blocks along with the name of the schools where they will be admitted in the new academic year are given in the table below:

| Sl.No | Name of student | Name of village | Age | Gender (B/G) | Father's name | Mother's name | Block | School where to be enrolled |
|---|---|---|---|---|---|---|---|---|
| 1. | Najma Dewan | Azara | 11 | G | Najrul | Suriya Dewan | Rani Dewan | Hatkho wapara LPS |
| 2. | Sahil Dewan | Azara | 8 | B | Najrul Dewan | Suriya Dewan | Rani | Hatkho wapara LPS |
| 3. | Anowar Hussain | Hatkho wapara | 7 | B | Mafidul Islam | Firuza Khatun | Rani | Hatkho wapara LPS |
| 4. | Rakibul Hussain | Hatkho wapara | 12 | B | Sultan Ali | Jabeda Khatun | Rani | Rajdhar Bora H.S |
| 5. | Amina Khatun | Hatkho wapara | 10 | G | Sultan Ali | Jabeda Khatun | Rani | Hirapara LPS |

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| 6. | Jamir Ali | Hatkho wapara | 8 | B | Sultan Ali | Jabeda Khatun | Rani | Hirapara LPS |
| 7. | Manju wara Begum | Simina | 10 | G | Adams hah Ali | Minuw ara Bibi | Rampur | Simina Adarsha LPS |
| 8. | Mokbul Ali | Simina | 8 | B | Mohim Ali n | Khatejai Bibi | Rampur | Simina Adarsha LPS |
| 9. | Neha Begum | Simina | 9 | G | Jahedul Ali | Arjinara Begum | Rampur | Simina Adarsha LPS |
| 10. | Alisha Begum | Simina (Futuri) | 10 | G | Ainal Ali | Elina Bibi | Rampur | Simina Adarsha LPS |
| 11. | Akshay Rabha | Bokdova | 8 | B | Nripen Rabha | Kahima Rabha | Rampur | Bokdova LPS |
| 12. | Jonmoni Rabha | Dewpani | 10 | G | Rantu Rabha | Kabita Rabha | Rampur | Dewpani LPS |
| 13. | Hiyamoni Rabha | Nowa para | 11 | G | Laksh yajyoti Rabha | Prativa Rabha | Rampur | Bokdova LPS |
| 14. | Mousumi Taro | Nazira khat | 14 | G | Rabi Taro | Dipari Taro | Dimoria | Nazirakhat LPS |

# LIST OF DROPOUT STUDENT

| Sl. No. | Name of Student | Name of Village | Age | Gender B/G | Father's Name | Mother's Name | Block | School Where to be Enrolled |
|---|---|---|---|---|---|---|---|---|
| 36 | Dilowara Parbin | " | 7 | G | Dilwan Ali | Abeda Khatun | " | " |
| 37 | Najmin Sultana | " | 9 | G | Ahed Ali | Sujina Begum | " | " |
| 38 | Sohidul Islam | " | 9 | B | Abdul Rofikul | Hasanara Begum | " | " |
| 39 | Mohibulla Ali | " | 10 | B | Sahar Ali | Atirum Nesa | " | " |
| 40 | Ritik Ahmed | " | 10 | B | Jinnal Ali | Koribul Bibi | " | " |
| 41 | Sultana Begum | " | 10 | G | Sahinur Islam | Amful Bibi | " | " |
| 42 | Asiq Ali | " | 10 | B | Anowar Ali | Rumina Bibi | " | " |
| 43 | Asiq Ali | " | 11 | B | Aninul Haque | Hasina Begum | " | " |
| 44 | Robisan Ali | " | 10 | B | Anowar Ali | Rumina Bibi | " | " |
| 45 | Morami Khatun | " | 11 | G | Nur Islam | Jabeda Khatun | " | " |
| 46 | Mohidul Haque | " | 11 | B | Saheb Ali | Avirun Nese | " | " |
| 47 | Ranjan Ali | " | 10 | B | Aftab Ali | Mono Wara Begum | " | " |
| 48 | Merajul Ali | " | 10 | B | Hasmat Ali | Merina Bibi | " | " |
| 49 | Aliman Begum | " | 11 | G | Rahmet ullah Ali | Abeda Bibi | " | " |
| 50 | Habibus Almin Hussain | Bholagaon | 7 | B | Afijal Ali | Hefijun Bibi | Rani | Bholagaon JB |
| 51 | Sonam Begum | " | 7 | G | Abdul Mohim | Mojida Begum | " | " |
| 52 | Motibur Rahman | " | 7 | B | Sorif Ali | Rayatun Bibi | " | " |
| 53 | Sweety Sultana | " | 8 | G | Sogibul Haque | Anjuma Bibi | " | " |
| 54 | Aftab Ali | " | 9 | B | Allauddin Ali | Asifa Bibi | " | " |
| 55 | Babli Ali | " | 9 | B | Yakub Ali | Nurjahan Bibi | " | " |
| 56 | Arif Wasim Haque | Hatkhowa Para | 7 | B | Mojidul Haque | Afruja Begum | " | " |
| 57 | Hafijur Rahman | " | 7 | B | Mojid Miya | Hasina Begum | " | " |
| 58 | Rihan Ali | " | 7 | B | Rijul Ali | Anju Begum | " | " |
| 59 | Nur Sakima Begum | " | 7 | G | Mojid Ali | Mojala Bibi | " | " |
| 60 | Rahul Amin | " | 7 | B | Ratan Ali | Rumela Khatun | " | " |
| 61 | Mekail Hussain | " | 8 | B | Abu Samad Miya | Mojida Bibi | " | " |
| 62 | Nurjahan Begum | " | 7 | G | Nurbakar Sleeka | Sorina Bibi | " | " |
| 63 | Korimul Ahmed | " | 8 | B | Rousan Ahmed | Koriman Ahmed | " | " |
| 64 | Afiya Jahin Ahmed | " | 9 | G | Abul Kalam | Abiu Ahmed | " | " |
| 65 | Sahidul Islam | " | 10 | B | Jahidul Islam | Majeda Khatun | " | " |
| 66 | Nishita Das | Solmari | 8 | G | Anil Das | Bijuli Das | Dimoria | Solmari LP School |
| 67 | Rupam Kalita | " | 10 | B | Abhay Kalita | Malati Kalita | " | " |
| 68 | Sankar Rabha | " | 11 | B | Moneswar Rabha | Aruna Rabha | " | " |
| 69 | Jagadish Rabha | Narayanpur | 8 | B | Buddheswar Rabha | Kalpana Rabha | Rampur | Narayanpur LP School |
| 70 | Kuldeep Rabha | | 10 | B | Bulbul Rabha | Mina Rabha | " | " |

# LIST OF DROPOUT STUDENT

| Sl. No. | Name of Student | Name of Village | Age | Gender B/G | Father's Name | Mother's Name | Block | School Where to be Enrolled |
|---|---|---|---|---|---|---|---|---|
| 71 | Ajij Rahman | Padnaram | 7 | B | Masuin Ali | Rumena Begum | Dimoria | Padnaram LP School |
| 72 | Rahim Ali | " | 8 | B | Bahar Ali | Rahima Khatun | " | " |
| 73 | Sofikul Islam | Nazirakhat | 8 | B | Naibali Islam | Sahina Khatun | Dimoria | Nazirakhat LP School |
| 74 | Saitali Biswas | " | 8 | G | Nimai Biswas | Sipra Biswas | " | " |
| 75 | Amar Rabha | Bokdobha | 9 | B | Sunil Rabha | Ambika Rabha | Rampur | Bokdobha LP School |
| 76 | Pranjit Rabha | " | 9 | B | Sunil Rabha | Sangita Rabha | " | " |
| 77 | Samiran Rabha | " | 7 | B | Sunil Rabha | Sangita Rabha | " | " |
| 78 | Puja Bora | " | 8 | G | Girin Bora | Juri Bora | " | " |
| 79 | Manjit Rabha | " | 8 | B | Dilip Rabha | Namita Rabha | " | " |
| 80 | Kristi Das | Karipara | 7 | G | Pabiyra Das | Mousumi Das | Rampur | Karipara LP School |
| 81 | Archana Lagun | Azara | 14 | G | Joseph Lagan | Gangi Lagan | Rani | CPB Girl |
| 82 | Nayanmoni Das | Batabari | 14 | B | Lt. Rajen Das | Dipu Das | " | [illegible] |
| 83 | Bhabesh Das | " | 14 | B | Rajen Das | Dipu Das | " | " |
| 84 | Rinku Das | Rani | | B | Bijoy Das | Joya Das | " | Rani LP School |
| 85 | Chinmoy Das | " | | B | Bijoy Das | Joya Das | " | " |
| 86 | Asen Marak | Maloibari | 10 | B | Danial Marak | Rimpi Marak | " | Garogaon LP |
| 87 | Sandi Marak | " | 10 | B | Ronesh Marak | Tumi Marak | " | " |
| 88 | Karan Sangma | " | 9 | B | Bipi Sangma | Jinti Marak | " | " |
| 89 | Joydev Rava | Baglva | 14 | B | Sukleswar Rava | Bhabani Rava | Rampur | " |
| 90 | Makuna Rava | " | 14 | B | Diganta Rava | Purnima Rava | Rampur | " |
| 91 | Avijeet Rava | " | 12 | B | Binoy Rava | Tunuka Rava | Rampur | " |
| 92 | Ganesh Kalita | Nazirakhat | 10 | B | Lt. Gautam Kalita | Rina Kalita | Dimoriya | [illegible] |
| 93 | Mantu Goyari | Panikhaiti | 10 | B | Jiten Goyari | Late Taru Goyari | Dimoria | [illegible] |
| 94 | Sunita Orang | D | 10 | G | Late Seita Orang | Binapani Orang | Dimoria | " |
| 95 | Kalyan Bora | Kahikuchi | 13 | B | Mantul Bora | Purnima Bora | Rani | [illegible] |
| 96 | Gaurav Bora | " | 14 | B | Mantul Bora | Purnima Bora | " | " |
| 97 | Saddam Hussain | Hatkhowapara | 10 | B | Mainul Hoque | Jabeda Begum | Rani | Hatkhowapara LPS (?) |

Block committees will help to bring these children to the school.

**Monitoring of the Union :** After enrollment in schools the OSC will be monitored by the Centre Committee of our Association.The Centre Committee is the foundation of our Union Structure where 10 to 15 number of schools in a locality constitute a Centre Committee under the Block Committee.So,the OSC will be enrolled in a school according to his/ her comfort and conveyance and OSC will monitor by the concern Centre committee.

**Challenges faced during the Survey:** Most of the households visited were cooperative.But some households refused to respond the survey. Problems faced during the survey were like families tried to hide the reason of dropout,lack of proper knowledge of the survey.The surveyors found problem in transportation and also safety issues while visiting door to door in the remote villages.

**The Success of the Program activities:** The program was quite good and successful.The survey of the targeted households in the respective blocks was almost fulfilled but due to COVID situation had some disadvantages.

**Benefits of the Union by the implementation of the Program:**

a) building a positive relationship and sharing with the society.

b) enabled to know the scholastic areas of the villages.

c)learn about the economic status of the the habitants.

d) building Unity amongst the various educational institutions with the Union.

e)the publicity of our Union in the society.

**Future plans and suggestions to conduct such type of Survey:**

The Govt of Assam has declared a total of 90,000 OSC in the State.So, keeping in mind our Union would like to conduct survey in almost every educational blocks and the remotest villages of the State to counsel such OSC and help them to get readmitted in the mainstream schools to ensure better learning.In this regard we would like to seek the cooperation of AIPTF to help us in every possible way.

We would like to suggest that awareness programme among the society members should be done in large numbers as they are very effective and will help in the successful attainment of the aims and objectives of the Programme.

# সাংগঠনিক ক্রিয়াকলাপ



# সাংগঠনিক ক্ৰিয়াকলাপ

**Snapshots of Awareness Meeting, Dimoria**
**Date : 06th November, 2021**









**Snapshots of Awareness Meeting, Rampur**
**Date : 03rd November, 2021**










**লেখা পঠাবৰ বাবেঃ-**
**email- asptaassam22@gmail.com**
**Whatsapp No- 7002867240, 87209 25805**

# সাংগঠনিক ক্ৰিয়াকলাপ

For awareness of AIDS Street Play was played at Rampu, Dimoria and Rani









Snapshots of Awareness Meeting, Rani
Date : 07th November, 2021









**লেখা পঠাবৰ বাবেঃ-**
**email- asptaassam22@gmail.com**
**Whatsapp No- 7002867240, 87209 25805**